সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩২ বছৰৰ এক অবিৰত যাত্ৰা...

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved

Postal Redg. No. GH- 098/2012-17

৩২ বছৰ, ৩২ সংখ্যা, ২৩ শাওণ, ৰবিবাৰ,১৪৩৩ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

RNI No.53883/94. GHY- 781025. Vol. 32: Issue No. 32 Date of Publication- 9 August 2026 Rs. 10.00/-

## দিল্লী আইআইটিৰ সমাৱৰ্তনত জেন-জিক উদ্দেশ্যি গুৰুত্বপূৰ্ণ বাৰ্তা প্ৰধানমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজধানী দিল্লীত ককৰোচ জনতা পাৰ্টি (চিজেপি)ৰ প্ৰতিবাদৰ পিছত শনিবাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসমাৰেশৰ সন্মুখত প্ৰথমবাৰ ভাষণ দিয়ে প্ৰধানমন্ত্ৰী মোদীয়ে। ৫৭ সংখ্যক দীক্ষান্ত সমাৰোহত প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰথমখন জনসভাত যুৱক-যুৱতীসকলক সম্বোধন কৰে। ইয়াৰ পূৰ্বে জেন-জিক উদ্দেশ্যি কৰি ছ'চিয়েল মিডিয়াত বাৰ্তা দিছিল প্ৰধানমন্ত্ৰী মোদীয়ে। কিন্তু, শনিবাৰে নতুন দিল্লীত ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠানৰ বাৰ্ষিক সমাৱৰ্তন অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কয়, 'আপোনালোক এই কাৰ্যসূচীত উপস্থিত আছে, কিন্তু মনৰ কোনো এটা কোণত অন্য চিন্তা চলি আছে। মই বাগেশ্বৰ ধাম বাবাৰ দৰে দিব্যদৃষ্টি সম্পন্ন পুৰুষ নহয়, কিন্তু আপোনালোকে কি ভাবি আছে সেয়া মই জানো।' ই অনুষ্ঠানত প্ৰায় ৩, ০০০ জেন-জি দৰ্শকক সন্মুখত ৰাখি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, "আপোনালোকৰ কেম্পাছলৈ আহি আপোনালোকৰ সৈতে কথা পতাটো মোৰ বাবে এক বিশেষ অভিজ্ঞতা। আপোনালোকৰ মাজৰ কিছুমানে হয়তো নিজৰ প্ৰথম ষ্টাৰ্টআপৰ কথা ভাবিছে, কোনোবাই হয়তো নিজৰ প্ৰথম দৰমহাৰ কথা ভাবিছে, কোনোবাই হয়তো আন চহৰলৈ যোৱাৰ কথা ভাবিছে।" প্ৰধানমন্ত্ৰীয়ে ভাষণত লগতে কয় যে প্ৰশ্ন কৰাৰ অধিকাৰ সকলোৰে আছে। কিন্তু লগতে এই কথাও মনত ৰাখিব লাগিব যে ৰাষ্ট্ৰৰ প্ৰতিও দায়িত্ব আছে সকলোৰে। সকলো প্ৰজন্মই এই দায়িত্ব ল'ব লাগিব। দিল্লী আইআইটিৰ সমাৱৰ্তনৰ মঞ্চত প্ৰধানমন্ত্ৰীৰ বক্তব্য- 'ছাত্ৰ জীৱন আৰু পৰৱৰ্তী জীৱন সুকীয়া। কেম্পাছৰ বাহিৰলৈ ওলাই অহাৰ পিছত জীৱনে যি পৰীক্ষা লয় সেই পৰীক্ষা অন্য ধৰণৰ। তাত প্ৰশ্ন আৰু উত্তৰ সকলোখিনি নিজেই উলিয়াবলগীয়া হয়।' তেওঁ ( দুই পৃষ্ঠাত চাওক)

## অৰুণাচল প্ৰদেশৰ ২৭ স্থানৰ নামকৰণ ভাৰতৰ



ৰঙিলী বাৰ্ত্তাসেৱা- অৰুণাচলত চীনৰ ৰঙাচকুৰ প্ৰত্যুত্তৰ দিলে ভাৰতে। অৰুণাচল প্ৰদেশৰ বিভিন্ন স্থানৰ নাম একপক্ষীয়ভাৱে সলনি কৰি অহা চীনৰ পদক্ষেপৰ মাজতে ভাৰত চৰকাৰে ৰাজ্যখনৰ ২৭টা স্থান আৰু ভৌগোলিক বৈশিষ্ট্যক চৰকাৰী ভাৰতীয় মানচিত্ৰত আনুষ্ঠানিকভাৱে চিহ্নিত কৰিছে। চীনৰ পথকে অনুসৰণ কৰি নামকৰণ-ৰণকৌশলৰ প্ৰত্যুত্তৰ দিলে ভাৰতে। চীন অধিকৃত তিব্বত আৰু অৰুণাচল প্ৰদেশৰ প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ সমান্তৰাল ২৭খন ঠাইৰ 'নাম সলনি'ৰ প্ৰস্তাৱ আনুষ্ঠানিকভাৱে কাৰ্যকৰী কৰিলে ভাৰতে। ছাৰ্ভে অব ইণ্ডিয়াৰ তৰফৰ পৰা প্ৰকাশ কৰা অৰুণাচল প্ৰদেশৰ নতুন মানচিত্ৰত এই নামসমূহ অন্তৰ্ভুক্ত কৰা হৈছে। মেকমোহন লাইনত ইপাৰৰ এখনৰ পিছত এখন ঠাইৰ নাম ( দুই পৃষ্ঠাত চাওক)

## বাল্যবিবাহৰ গ্ৰাসত পৰি কোনো কন্যা সন্তানৰ ভৱিষ্যৎ নষ্ট হ'বলৈ নিদিওঁঃমুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- উজনি অসমৰ ৪ খন জিলাৰ বান পৰিস্থিতি পৰ্যালোচনা কৰাৰ পিছত শনিবাৰে দৰং জিলাৰ বানপীড়িতৰ কাষত উপস্থিত হৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। দৰঙৰ ঔতলাত বান পৰিস্থিতি পৰিদৰ্শন কৰিবলৈ যোৱা মুখ্যমন্ত্ৰী ড° শৰ্মাই এগৰাকী মহিলাৰ লগত হোৱা অনিয়মৰ ক্ষেত্ৰত কঠোৰ স্থিতি লোৱা পৰিলক্ষিত হ'ল। উল্লেখ্য যে গুৱাহাটীৰ পৰা হেলিকপ্টাৰেৰে মঙলদৈৰ কছাৰী ময়দানত অৱতৰণ কৰাৰ পিছত মুখ্যমন্ত্ৰী ড° শৰ্মাই গাড়ীৰে উপস্থিত হয় ঔতলাত। পথেৰে যোৱা এই সময়ছোৱাত কেইবাঠাইতো গাড়ী ৰখাই স্থানীয় ৰাইজৰ সৈতে বাৰ্তালাপত মিলিত হ'ল মুখ্যমন্ত্ৰীগৰাকী। মুখ্যমন্ত্ৰীক ওচৰতে পাই এগৰাকী মহিলাই স্বামীৰ অত্যাচাৰ সহিব নোৱাৰি ( তিনিপৃষ্ঠাত চাওক)

## ভাৰতৰ ওপৰত ১০০ শতাংশ শুল্ক আমেৰিকাৰ

ৰঙিলী বাৰ্ত্তাসেৱা- ৰাছিয়াৰ পৰা বৃহৎ পৰিমাণৰ তেল আৰু গেছ ক্ৰয় কৰা দেশসমূহক শাস্তি প্ৰদান কৰা বিধেয়কখন আমেৰিকাৰ ছিনেটে অনুমোদন জনাইছে ।এই বিধেয়কখনৰ নাম সলনি কৰি 'লিণ্ডচে অ' গ্ৰেহাম চেনচনিং ৰাছিয়া এণ্ড ইৰাণ এক্ট অৱ ২০২৬' ৰখা হৈছে আৰু ছিনেটে ৮৬-১১ ভোটত অনুমোদন জনাইছে। এই বিধেয়কখনৰ জৰিয়তে ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ৰাছিয়াৰ তেল আৰু গেছৰ শীৰ্ষ পাঁচখন আমদানিকাৰক দেশৰ সামগ্ৰীৰ ওপৰত ১০০% শুল্ক আৰোপ কৰিব পাৰে। বৰ্তমান চীন, ভাৰত, আজাৰবাইজান, হাংগেৰী আৰু শ্লোভাকিয়া ৰাছিয়াৰ পৰা তেল আৰু গেছ আমদানি কৰা শীৰ্ষ পাঁচখন দেশ হয়। এইবাৰ বিলখন মাৰ্কিন কংগ্ৰেছৰ আন এখন সদন হাউছ অৱ ৰিপ্ৰেজেনটেটিভত উত্থাপন কৰা হ'ব। এনে ক্ষেত্ৰত অহা কেইসপ্তাহমানৰ ভিতৰতে ছবিখন স্পষ্ট হ'ব। দুয়োখন সদনত বিধেয়কখন গৃহীত হ'লে বাকী থাকিব কেৱল ট্ৰাম্পৰ স্বাক্ষৰ। ট্ৰাম্পে বিধেয়কখনত স্বাক্ষৰ কৰিলেই সি আইনত পৰিণত হ'ব আৰু ৰাছিয়াৰ পৰা যিবোৰ দেশে ইন্ধন কিনে তেওঁলোকৰ বিৰুদ্ধে আইন মানি ( দুই পৃষ্ঠাত চাওক)

## দৰং জিলাৰ বানাক্ৰান্ত অঞ্চল পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- দৰং জিলাৰ মঙলদৈ বিধানসভা সমষ্টিৰ অন্তৰ্গত বেঙাবড়া আৰু নাহৰবাৰীত উপস্থিত হৈ অঞ্চলকেইটাত সংঘটিত শেহতীয়া বান পৰিস্থিতিৰ প্ৰত্যক্ষ বুজ লয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। শনিবাৰে মুখ্যমন্ত্ৰীয়ে নোৱা নৈৰ বাঢ়নী পানীয়ে ছিগা মথাউৰিৰ অংশ পৰিদৰ্শন কৰে । মেৰামতি কৰি থকা মথাউৰিৰ অংশৰ লগতে বানত ক্ষতিগ্ৰস্ত কেইবাটাও অঞ্চলো মুখ্যমন্ত্ৰীয়ে পৰিদৰ্শন কৰে । পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰীয়ে খহনীয়া আৰু মথাউৰি ছিগাৰ ফলত ক্ষতিগ্ৰস্ত ৰাইজক জৰুৰীকালীন সাহায্য প্ৰদানৰ বাবে প্ৰশাসনক ( দুই পৃষ্ঠাত চাওক)

# দিল্লী আইআইটিৰ সমাৱৰ্তনত

আৰু কয়, 'প্ৰশ্ন কৰাটো ভাল, কিন্তু উত্তৰো নিজকেই সুধিব লাগিব। জীৱনৰ যুদ্ধত কোনো প্ৰশ্নকাকত নাথাকে। নিজকে প্ৰশ্ন কৰিবলগীয়া হয়, নিজেই সমাধান উলিয়াবলগীয়া হয়। ইয়াত সকলোবোৰেই আউট অৱ ছিলেবাছ। যিয়ে শিকিব, তেৱেঁই জিকিব। প্ৰশ্ন কৰাৰ সকলোৰে অধিকাৰ আছে। কিন্তু ৰাষ্ট্ৰৰ প্ৰতি দায়িত্বও আটাইৰে। আগৰ প্ৰজন্মৰ যুঁজৰ ফলত দেশে স্বাধীনতা লাভ কৰিছে। আজিৰ আত্মনিৰ্ভৰ ভাৰতৰ নতুন প্ৰজন্মৰ সন্মুখত সুযোগ-সুবিধা অনেক। দেশৰ যুৱ সমাজ আগুৱালেই দেশ আগুৱাব।' লগতে প্ৰধানমন্ত্ৰীয়ে যুৱ সমাজৰ প্ৰতি আস্থা প্ৰকাশ কৰি কয়, 'তোমালোকৰ ওপৰত আমাৰ ভৰসা আছে। এই দেশৰ উন্নতিত তোমালোকৰ প্ৰয়োজন আছে।' সেইদিনাই এআই তথা কৃত্ৰিম বুদ্ধিমত্তাচালিত, উচ্চ ক্ষমতাসম্পন্ন, ছুপাৰ কম্পিউটাৰ 'পৰমপ্ৰজ্ঞা' উদ্বোধন কৰে প্ৰধানমন্ত্ৰী মোদীয়ে। উল্লেখ্য যে এই ছুপাৰ কম্পিউটাৰটো বৰ্তমান আইআইটি দিল্লীৰ সোণপট কেম্পাছত আছে। বৈজ্ঞানিক আৰু অভিযান্ত্ৰিক স্তৰৰ নানা জটিল সমস্যা সমাধানত 'পৰমপ্ৰজ্ঞা'ই সহায় কৰিব গৱেষক, ফেকাল্টী মেম্বাৰ আৰু ছাত্ৰ-ছাত্ৰীসকলক। দিল্লী আইআইটিৰ সমাৱৰ্তন অনুষ্ঠানত প্ৰধানমন্ত্ৰী আছিল মুখ্য অতিথি। তেওঁ সহস্ৰাধিক স্নাতক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰী, প্ৰায় ৫৮৭জন পিএইচডি স্ক'লাৰে প্ৰধানমন্ত্ৰীৰ হাতৰ পৰা ডিগ্ৰীৰ প্ৰমাণ-পত্ৰ গ্ৰহণ কৰে। 'প্ৰেছিডেন্টছ গ'ল্ড মেডেল', 'ডিৰেক্টৰ্ছ গ'ল্ড মেডেল','শংকৰ দয়াল শৰ্মা গ'ল্ড মেডেল' আৰু 'পাৰফেক্ট-১০ গ'ল্ড মেডেল'ৰ দৰে ঐতিহ্যমণ্ডিত আৰু আইআইটি দিল্লীৰ ফালৰ পৰা তেওঁলোকৰ 'সৰ্বোচ্চ সন্মান' হিচাপে পৰিগণিত পুৰস্কাৰ কৃতী ছাত্ৰ-ছাত্ৰীসকলৰ হাতত তুলি দিয়ে মোদীয়ে।

# অৰুণাচল প্ৰদেশৰ ২৭ স্থানৰ

যিদৰে চীনে সলনি কৰিছে, তাৰেই ওলোটা পদক্ষেপ লৈছে ভাৰতে। শুকুৰবাৰে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ তৰফৰ পৰা এই বিষয়ে বিবৃতি জাৰি কৰা হৈছে। বিবৃতিত উল্লেখ কৰা অনুসৰি, ভাৰতীয় জৰীপ বিভাগ (Survey of India)-ৰ মানচিত্ৰত এই স্থানসমূহৰ অন্তৰ্ভুক্তিৰ জৰিয়তে সঠিক পৰিচয় নিশ্চিত কৰাৰ লগতে জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধি কৰাৰ লক্ষ্য গ্ৰহণ কৰা হৈছে। ভাৰতৰ চৰকাৰী মানচিত্ৰত আনুষ্ঠানিকভাৱে অন্তৰ্ভুক্ত কৰা ২৭টা স্থানৰ ভিতৰত আছে নিয়ন্ত্ৰণ ৰেখা (LAC) সংলগ্ন লংজু, য'ত ১৯৫৯ চনত ভাৰত-চীন সংঘাতৰ অন্যতম প্ৰাৰম্ভিক ঘটনা সংঘটিত হৈছিল। আপাৰ সোৱণশিৰি জিলাৰ লংজুৰ ওচৰৰ মাজা গাঁওও এই তালিকাত স্থান পাইছে বুলি জানিব পৰা গৈছে। ইয়াৰ উপৰি গিৰিপথ বিছা, ডজ' লা, ৰিজা লা, পুকুৰ লা আৰু ১৯৬২ চনৰ ভাৰত-চীন যুদ্ধৰ আৰম্ভণিৰ অন্যতম সংঘৰ্ষস্থলী থাগ লাকো চৰকাৰীভাৱে চিহ্নিত কৰা হৈছে। চাংলাং জিলাৰ জয়ৰামপুৰ, পূব অৰুণাচলৰ সন্তো সৰোবৰ, বৰা কুগুন, ছোটা কুগুন, ধানবাৰী, প্ৰীতনগৰ, তেৰিটনগৰ, ৰামনগৰ, সাগৰ, পদ্মা, জ্যোতিনগৰ আৰু বৈশাখী গাঁওসমূহো তালিকাত অন্তৰ্ভুক্ত কৰা হৈছে। একেদৰে, তাৱাং পথত অৱস্থিত ১৯৬২ চনৰ বীৰ সেনা জস্বন্ত সিং ৰাৱতৰ স্মৃতিসৌধ জস্বন্ত গড়, যুদ্ধবীৰ ত্ৰিলোক সিং থাপাৰ স্মৃতিত নিৰ্মিত শেৰ-ই-থাপা স্মাৰক, ছোটা ৰোপুক, বৰা ৰোপুক, শিৱাজী নগৰ, সূৰ্যপুৰা, কামলাং নগৰ আৰু বুদ্ধ মন্দিৰকো চৰকাৰী মানচিত্ৰত অন্তৰ্ভুক্ত কৰা হৈছে বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, চীনৰ অসামৰিক পৰিক্ৰমা মন্ত্ৰালয়ে ২০১৭ চনত অৰুণাচলক জাংনান নাম দি ৬ টা স্থানৰ মানক নামৰ প্ৰথমখন তালিকা প্ৰকাশ কৰিছিল। ২০২১ চনত ১৫ টা স্থানৰ দ্বিতীয়খন তালিকা প্ৰকাশ কৰিছিল। তাৰ পিছতে ২০২৩ চনত ১১ টা স্থানৰ নামেৰে আন এখন তালিকা প্ৰকাশ কৰিছিল।

# দৰং জিলাৰ বানাক্ৰান্ত অঞ্চল

নিৰ্দেশ দিয়ে । মুখ্যমন্ত্ৰীয়ে কুলশী নদীয়ে ছিগা মথাউৰিও পৰিদৰ্শন কৰে। উল্লেখ্য যে শেহতীয়া বানত বৃহত্তৰ এলেকাটোৰ ৫খনতকৈ অধিক গাঁও প্লাৱিত হোৱাৰ লগতে খেতিপথাৰ, ঘৰ-দুৱাৰ, পোহনীয়া জীৱ-জন্তু, পুখুৰী আদিৰো বিস্তৰ ক্ষতি হৈছে। বানৰ বিভীষিকা নিৰীক্ষণ কৰি মুখ্যমন্ত্ৰীয়ে ঔতলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত স্থাপন কৰা বান সাহায্য শিবিৰলৈ যায়। এই শিবিৰত থকা পৰিয়ালসমূহৰ সৈতে তিপালৰ ওপৰতে বহি মুখ্যমন্ত্ৰীয়ে ৰাইজৰ সৈতে বাৰ্তালাপতো মিলিত হয়। বন্যাৰ্তক মুখ্যমন্ত্ৰীৰ আশ্বাস- আপোনালোকে কোনে চিন্তা নকৰিব। যি ক্ষতি হৈছে আমি সকলোখিনি কৰি দিম। ঘৰ মেৰামতি, গৰু গোহালি, ফিছাৰী সকলোখিনি মই কৰাই দিম। উল্লেখ্য যে এই শিবিৰত মুঠ ১৫৬গৰাকী বন্যাৰ্তই আশ্ৰয় লৈছে। মুখ্যমন্ত্ৰীয়ে বন্যাৰ্তসকলে ভাল ধৰণে খাদ্য লাভ কৰিছে নে নাই, সেয়াও পৰীক্ষা কৰে। তদুপৰি কোনবোৰ অঞ্চল এতিয়াও পানীত বুৰ গৈ আছে, কেনেদৰে উদ্ধাৰ অভিযান চলিছে আদি দিশো পৰীক্ষা কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কপিলী সত্ৰৰ ভগ্নাংশও নিৰীক্ষণ কৰে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে বেঙাবড়া গাঁৱৰ নিৰ্মীয়মাণ অংগনৱাড়ী কেন্দ্ৰত স্থাপন কৰা আশ্ৰয় শিবিৰত বন্যাৰ্ত ৰাইজক সাক্ষাৎ কৰি তেওঁলোকৰ খা-খবৰ লয় আৰু সকলো প্ৰকাৰৰ সাহায্যৰ আশ্বাস দিয়ে। ইয়াৰ পিছত তেওঁ নাহৰবাৰীত কুলশী নৈৰ ভগা মথাউৰিও পৰিদৰ্শন কৰে। এই পৰিদৰ্শন কালত সংবাদ মাধ্যমৰ সৈতে হোৱা কথোপকথনত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়-শেহতীয়া বানে এই অঞ্চলত মথাউৰি ভাগি নিয়াৰ ফলত ৰাইজ যথেষ্ট দুৰ্যোগ আৰু কষ্টৰ সন্মুখীন হ'বলগীয়া হৈছে। আজি ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰাৰ লগতে জলসম্পদ বিভাগে হাতত লোৱা মেৰামতিৰ কাম-কাজৰো খতিয়ান ল'লোঁ। ভৱিষ্যতে এই ভগ্ন মথাউৰিসমূহ অতি শক্তিশালী ৰূপত নিৰ্মাণ কৰি উলিওৱাৰ বাবে চৰকাৰে বিশেষ পদক্ষেপ গ্ৰহণ কৰিব। তদুপৰি, বানত ক্ষতিগ্ৰস্ত প্ৰতিটো পৰিয়ালক চৰকাৰী নিয়ম অনুসৰি শীঘ্ৰেই প্ৰয়োজনীয় সকলোধৰণৰ সাহায্য প্ৰদান কৰা হ'ব। উল্লেখ্য যে নোৱা নৈৰ মথাউৰিৰ বিচ্ছিন্ন অংশ পৰিদৰ্শন কৰি ঔতলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিবিৰত উপস্থিত হোৱা মুখ্যমন্ত্ৰীগৰাকীয়ে বন্যাৰ্ত মহিলাসকলে কিদৰে আছে তাৰ খবৰ লোৱাৰ লগতে স্থানীয় বিধায়িকা তথা মন্ত্ৰী নীলিমা দেৱীয়ে তেওঁলোকৰ খবৰ-বাৰ্তা লৈছে নে নাই, তাকো সোধে। দীঘলীয়া সময় বন্যাৰ্তৰ লগত কটোৱা মুখ্যমন্ত্ৰীগৰাকীক ওচৰতে পাই বিভিন্নজনে তেওঁলোকৰ দুখ-দুৰ্দশাৰ কথা অৱগত কৰে। এই পৰিদৰ্শনকালত মুখ্যমন্ত্ৰীৰ সৈতে মন্ত্ৰী তথা দৰং জিলাৰ অভিভাৱক মন্ত্ৰী অশোক সিংহল, নীলিমা দেৱী, বিধায়ক পৰমানন্দ ৰাজবংশীৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি আৰু জিলা আয়ুক্তকে ধৰি জিলা প্ৰশাসন তথা দায়িত্বৱাহী বিভাগসমূহৰ বিষয়ববীয়াসকলো উপস্থিত থাকে।

সম্পাদকীয় শিতান.... দেৱাশীষ গোস্বামী, নগাঁও

# দুখ বিলাই সুখ বুটলা

সুখ, সুখ, সুখ কেৱল সুখ। মুঠতে চাৰিওফালে সুখৰ সন্ধানত দৌৰা ঢপৰা। দুখৰ মুখামুখি হ'বলৈ মানসিক ভাৱে তেনেই দুৰ্বল আমিবোৰ। কোনো কাৰণতে দুখৰ সৈতে সহাৱস্থান কৰিবলৈ নিবিচৰা আমি বোৰৰ কেৱল সুখেই কাম্য। এই হেন ঘোৰ কলিযুগত মানুহবোৰ তেনেই স্বাৰ্থপৰ। সুখ বুটলাৰ প্ৰতিযোগিতাত দুখৰ স্ফুলিংগ বিলোৱাত সিদ্ধহস্ত। স্বজ্ঞানে বিলোৱা এই স্ফুলিংগই লাগিলে যেইখন ঘৰেই ভস্মীভূত নকৰক কিয়, কেওঁ কিছুৰ বাবে বিষয়টো তেনেই গৌণ। এচামৰ বাবে যেতিয়াই সুখ প্ৰাপ্তি জেদলৈ ৰূপান্তৰিত হয়, আপোন-পৰ পাহৰি, বিবেকক ভৰিৰে গছকি ওভতগোৰে নাচিবলৈ আৰম্ভ কৰে। সেই সময়ত তেওঁলোকৰ চকুৰ সমুখৰ সুখ নামৰ পৰ্দাখনে সিপাৰত কি ঘটিছে বা ঘটিব পৰা পাৰ্শ্বক্ৰিয়াৰ উমান পাবলৈ নিদিয়ে। পাৰ্থিৱ সুখৰ সন্ধানত লোৱা এটা মাত্ৰ পদক্ষেপে আনৰ অনুভূতিতো যে আঘাত কৰিব পাৰে, চকুলো যে নিগৰাব পাৰে মদগৰ্বী তথা অহংকাৰত মত্ত এচামৰ বাবে Ignore কৰা তেনেই সহজ। আনক মাৰি ৰজা হোৱাৰ প্ৰবৃত্তিয়ে যেতিয়াই একোখন সুন্দৰ, সবল সমাজত শিপাবলৈ আৰম্ভ কৰে, ঠিক তেতিয়াই সম্বন্ধ বোৰত ঘুণে ধৰে, সমাজ খন দুৰ্বল হৈ পৰে আৰু সমাজ বিৰোধী, দুষ্কৃতিকাৰী সকলে নিজৰ নিজৰ নিকৃষ্ট উদ্দেশ্য সাধনত সফলতা লাভ কৰে। আমি স্বজ্ঞানে লোৱা এটা মাত্ৰ ভুল পদক্ষেপে আমাৰ লগতে ভৱিষ্যত প্ৰজন্মৰ ওপৰত পেলাব পৰা বিৰূপ প্ৰভাৱৰ অনুধাৱনত বাধাৰ সৃষ্টি কৰে আমাৰ এক মাত্ৰ অহংকাৰী মদগৰ্বী স্বভাৱে। আনক দুখ দি, আনৰ আবেগ অনুভূতিক ভৰিৰে গছকি, আনৰ চকুলোত সুখৰ উৎস সন্ধানকাৰী সেই মানুহ নামৰ দুঠেঙীয়া চাম কিন্তু নিজৰ বিবেকৰ সমুখতে প্ৰকৃত অপৰাধী, আনৰ চকুত চকু থৈ যদি এযাৰ কথাই পাতিব নোৱাৰো, প্ৰকৃত মানৱীয় প্ৰমূল্যবোধেৰে যদি সমাজত মূৰ ডাঙি ঘূৰিবই নোৱাৰো, সুখ বুটলাৰ অঘোষিত প্ৰতিযোগীতাত যদি নিজৰ অতীত তথা আঁচল অস্তিত্ব পাহৰি যাওঁ, মানৱী জীৱন তেনেই বৃথা, মা-দেউতা, শিক্ষা গুৰুৰ সংস্কাৰ তেনেই বৃথা। চকু মুদাৰ আগতেই আৰ্জিত সুনামেহে ইতিহাস সৃষ্টি কৰে। ফটোত মালা পিন্ধিও ৰাইজৰ গালি খোৱা মানুহৰ সংখ্যা আজিৰ যুগত গণি শেষ কৰিব নোৱাৰা অৱস্থা।

মোৰ, আপোনাৰ নাম সোঁণালী নহলেও অন্ততঃ ৰূপালী আখৰেৰে লিপিবদ্ধ কৰিবলৈ আমাৰ কৰ্মই একমাত্ৰ অস্ত্ৰ। নিষ্ঠুৰ সময়ে কাকো ক্ষমা নকৰে, ৰেহাই নিদিয়ে। নিজৰ সুখ বুটলিবলৈ গৈ আক্ৰোশ মূলক মনোভাৱৰ পৰিচয় দি, দুখৰ স্ফুলিংগ বিয়পাই, এই সংসাৰৰ পৰা চিৰ বিদাই লৈ ফটোত মালা পিন্ধি কেটেৰা জেঙেৰা শুনিব লগীয়া পৰিস্থিতিৰ বাবেও আমাৰ কৰ্মই দায়ী।

->আনক দুখদি পোৱা সুখে কেতিয়াও স্থায়ী শান্তি দিব নোৱাৰে। আনৰ চকুপানীৰ ওপৰত সাজি উলিওৱা সুখৰ প্ৰসাদ এদিন নিঃশেষ হৈ যায়।

->প্ৰকৃতিৰ নিয়মঃ যিটো আপুনি আনক দিব, ঘূৰি আহি সেইটোৱেই আপোনাৰ কাষ পাবহি, লাগিলে সেয়া সুখেই হওঁক বা দুখেই হওঁক।

->প্ৰকত সুখ আনক সুখী কৰিহে পোৱা যায়। আনৰ সুখ কাঢ়ি লৈ কেতিয়াও নহয়।

# ভাৰতৰ ওপৰত ১০০

পদক্ষেপ গ্ৰহণ কৰিব পাৰিব ৱাশ্বিংটনে। আমেৰিকাৰ এই বিধেয়কখনত কোৱা হৈছে যে ৰাছিয়াৰ পৰা যিবোৰ দেশে তেল বা অন্যান্য ইন্ধন কিনিছে, তেওঁলোকে পৰোক্ষভাৱে ইউক্ৰেইনৰ বিৰুদ্ধে ৰুছ আগ্ৰাসনকে সমৰ্থন কৰিছে। সেয়েহে তেওঁলোকৰ ওপৰত ১০০ শতাংশপৰ্যন্ত শুল্ক আৰোপ কৰিব পাৰিব আমেৰিকাই। এই আইনৰ ফলত সমস্যাত পৰিব পাৰে ভাৰত, চীন আৰু জাপানৰ দৰে দেশসমূহো। ইউক্ৰেইনসহ কেইবাখনো দেশে এইবাৰ বিধেয়কখনক আদৰণি জনাইছে। মাৰ্কিন ছিনেটত উত্থাপন হোৱাৰ পিছৰে পৰাই এই বিধেয়কখনক লৈ চলিছে আলোচনা। কেইসপ্তাহমান পূৰ্বে ভোটগ্ৰহণৰ জৰিয়তে ছিনেটত এই বিধেয়কখনৰ পদ্ধতিগত কিছু বাধা সফলভাৱে অতিক্ৰম কৰে ৰিপাব্লিকানসকলে। সেই সময়ত বিধেয়কখনৰ পক্ষত ভোটে পৰিছিল ৮৬টা আৰু বিপক্ষে ১২টা। শুকুৰবাৰে চূড়ান্ত ভোটগ্ৰহণ অনুষ্ঠিত হয়। এইবাৰ ৮৬-১১ ভোটত বিধেয়কখন ছিনেটত গৃহীত হয়। তেল বিক্ৰী কৰি যি ৰাজহ আদায় কৰে, ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে তাত ইউক্ৰেইনৰ বিৰুদ্ধে যুদ্ধত তেওঁ ব্যয় কৰে বুলি আমেৰিকাৰ অভিযোগ। এই পথ ৰোধ কৰাই ট্ৰাম্পৰ উদ্দেশ্য।

# বানত হোৱা ক্ষয়-ক্ষতিৰ মূল্যায়নৰ ডিজিটেল জৰীপৰ শুভাৰম্ভ মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- উজনি অসমৰ চাৰিখন জিলাত সংঘটিত শেহতীয়া ভয়াৱহ বানপানীত ক্ষতিগ্ৰস্ত ৰাইজৰ ক্ষয়-ক্ষতিৰ তড়িৎ আৰু বৈজ্ঞানিক জৰীপ নিশ্চিত কৰাৰ দিশত ৰাজ্য চৰকাৰে এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। যোৰহাটৰ চিনামৰাস্থিত সন্মিলন কেন্দ্ৰত আয়োজিত এক অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাৰ বাবে বানত ক্ষয়-ক্ষতিৰ দ্ৰুত মূল্যায়নৰ বাবে ডিজিটেল এপ্লিকেশ্যন ব্যৱহাৰৰ প্ৰশিক্ষণ কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। এইপ্ৰশিক্ষণ কাযূচীত মুখ্যমন্ত্ৰী ড° শৰ্মাই উল্লেখ কৰে যে শেহতীয়া বান পৰিস্থিতিত ৰাজ্য চৰকাৰে অত্যন্ত সক্ৰিয়তাৰে উদ্ধাৰ আৰু সাহায্য অভিযান চলোৱাৰ পিছত এতিয়া পৰৱৰ্তী পৰ্যায় হিচাপে বান ক্ষতিগ্ৰস্তলৈ ক্ষতিপূৰণ প্ৰদানৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। ইয়াৰ অংশ হিচাপে বানত হোৱা ক্ষতিৰ দ্ৰুত জৰীপৰ অৰ্থে প্ৰস্তুত কৰা ম'বাইল এপ্লিকেচনৰ প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। জৰীপ যাতে নিখুঁত হয় আৰু ক্ষতিপূৰণ লাভৰ বাবে যোগ্য কোনো ব্যক্তি বা পৰিয়াল বাদ পৰি নাযায়, তাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব। সংবাদ মাধ্যমৰ আগত এই সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয়- শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলা প্ৰশাসনৰ বিষয়ববীয়াসকল আৰু অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সৈতে জড়িত বিষয়াসকলৰ লগত বানত ক্ষতিগ্ৰস্ত হোৱা লোকসকলক কেনেকৈ সহায় কৰিব পাৰি, সেই বিষয়ে আজি আলোচনা কৰা হয়। আলোচনাৰ সিদ্ধান্ত মৰ্মে কাইলৈৰ পৰা জিলা পৰ্যায়ত জৰীপকাৰীসকলৰ প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত কৰা হ'ব আৰু ৯ আগষ্টৰ পৰা ক্ষয়-ক্ষতিৰ জৰীপ আৰম্ভ কৰা হ'ব। প্ৰথম পৰ্যায়ৰ জৰীপ ৩০ আগষ্টলৈকে চলিব আৰু জৰীপৰ তালিকা প্ৰস্তুত হোৱাৰ পিছত জৰীপকাৰীসকলে ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ ওচৰলৈ দ্বিতীয়বাৰৰ বাবে গৈ জৰীপত বৈ যোৱা ভুল-ত্ৰুটিৰ পুনৰীক্ষণ কৰিব। এই প্ৰক্ৰিয়াৰে অহা ১০ ছেপ্টেম্বৰৰ ভিতৰত ক্ষয়-ক্ষতিৰ এক ধাৰণা লাভ কৰিব পৰা যাব।

(দহ পৃষ্ঠাত চাওক)

## ১০ আগষ্টৰ পৰা খুলিব বানবিধ্বস্ত স্কুল



ৰঙিলী বাৰ্ত্তাসেৱা- বানে ধোৱা বিদ্যালয়ত ১০ আগষ্টৰ পৰা হ'ব পাঠদান। এই কথা ঘোষণা কৰিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। যোৰহাটত সংবাদ মাধ্যমৰ আগত এই কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- যিসমূহ বিদ্যালয় একেবাৰেই খুলিব পৰা অৱস্থাত নাই, তেনে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে কাষৰ বিদ্যালয়লৈ গৈ শিক্ষা গ্ৰহণ কৰিব। ইতিমধ্যে এইসন্দৰ্ভত বিদ্যালয় পৰিদৰ্শকক যাৱতীয় নিৰ্দেশনা দিয়া হৈছে। সেইমৰ্মে ১০ আগষ্টৰ পৰা শিক্ষা গ্ৰহণ আৰম্ভ কৰাৰ বাবে নিৰ্দেশ দিয়া হৈছে। যদি এখন বিদ্যালয়ত কোনোপধ্যেই যাব পৰা অৱস্থাত নাই, তেন্তে তাৰ কাষৰ বিদ্যালয়খনত খুলিব নোৱাৰা বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল একলগ কৰি পাঠদান আৰম্ভ কৰা হ'ব। ইতিমধ্যে স্কুলৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিনামূলীয়া ইউনিফৰ্মৰ বাবে পুঁজি মোকলাই দিয়া হৈছে। বিদ্যালয়সমূহৰ হাতত দুযোৰ ইউনিফৰ্মৰ ধন মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা মোকলাই দিয়া হৈছে। এই চাৰিওখন জিলাৰ ৭৯৩খন বিদ্যালয়ত ২ লাখ টকাকৈ মেৰামতিৰ বাবে ইতিমধ্যে কালি প্ৰদান কৰা হৈছে। মুখ্যমন্ত্ৰীৰ লগতে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱেও বানপীড়িত অঞ্চলৰ বিদ্যালয় ১০ আগষ্টত মুকলি হ'ব বুলি উল্লেখ কৰে। শিক্ষামন্ত্ৰীগৰাকীয়ে কয়- শিৱসাগৰ জিলাত ৫৪৫খন বিদ্যালয় বানত আক্ৰান্ত হৈছে। জিলাখনত ১২৫০খন বিদ্যালয় আছে। বানত আক্ৰান্ত বিদ্যালয়সমূহক বাদ দি বাকী বিদ্যালয়সমূহ বন্ধ হৈ থকাৰ প্ৰয়োজন নাই। এই ৫৪৫খন বিদ্যালয়ৰ মাজৰ পৰাও যিসমূহ বিদ্যালয়ত এতিয়া পাঠদানৰ পৰৱেশ গঢ়ি উঠিছে, সেই বিদ্যালয়সমূহত ১০ আগষ্টৰ পৰা পাঠদান আৰম্ভ কৰা হ'ব। বাকী বিদ্যালয়সমূহৰ ক্ষেত্ৰত বিকল্প ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

## বাল্যবিবাহৰ গ্ৰাসত পৰি

স্বামীগৃহ ত্যাগ কৰিবলৈ বাধ্য হোৱাৰ দুখ-দুৰ্দশাৰ কথা অৱগত কৰে। মহিলাগৰাকীৰ অভিযোগ- স্বামীয়ে কম বয়সতে বিয়া পাতি নিয়াৰ পিছত তেওঁক এতিয়া এৰি দিছে আৰু আন এগৰাকী যুৱতীৰ সৈতে সম্পৰ্ক স্থাপন কৰিছে। বাল্যবিবাহৰ বিৰুদ্ধে কঠোৰ স্থিতিগ্ৰহণ কৰি অহা মুখ্যমন্ত্ৰীয়ে মহিলাগৰাকীৰ কাহিনী শুনি কঠোৰ স্থিতি গ্ৰহণৰ কথা উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে মহিলাগৰাকীক উদ্দেশ্যি কয়- আজিয়েই তোৰ হাজবেণ্ডক ধৰি আনিম, তই দৰ্খাস্ত ৰেডী ৰাখ। মই এই বাটেৰে ঘূৰি আহিম, তই মোক দৰ্খাস্ত দিবি। ধৰি আনি তাক ঠিকছে মাৰিম, তই গম পাবি। মুখ্যমন্ত্ৰীগৰাকীয়ে মহিলাগৰাকীক উদ্দেশ্যি কয়- নিজে কৰিব পৰাকৈ তই পঢ়া-শুনা আৰম্ভ কৰ। তোৰ বয়স আছে। কিবা এটা হাতৰ কাম আৰম্ভ কৰ। ইফালে বিষয়টো সন্দৰ্ভত সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰীয়ে লিখিছে- বাল্যবিবাহৰ ক্ষেত্ৰত আমি সদায় কঠোৰ। আমাৰ কোনো কন্যা সন্তানক ইয়াৰ গ্ৰাসত পৰি ভৱিষ্যৎ নষ্ট কৰিবলৈ আমি দিব নোৱাৰোঁ। আমি আগতেও উচিত পদক্ষেপ গ্ৰহণ কৰি আছিলোঁ আৰু এতিয়াও গ্ৰহণ কৰিম। আমাৰ কন্যাসকলে ভাগি নপৰি সপোন পূৰণৰ বাটত শক্তিশালীভাৱে আগবাঢ়ি যাওক।

## নীটৰ প্ৰশ্নকাকত ফাদিল গোচৰত চাৰ্জশ্বীট দাখিল চিবিআইৰ




ৰঙিলী বাৰ্ত্তাসেৱা- নীট-ইউজি ২০২৬ প্ৰশ্নকাকত ফাদিলৰ গোচৰৰ চাৰ্জশ্বীট দাখিল চমুকৈ চিবিআইৰ। নীট-ইউজি ২০২৬ প্ৰশ্নকাকত ফাদিলৰ গোচৰত গ্ৰেপ্তাৰ কৰা ১৩জন অভিযুক্তৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰে চিবিআয়ে। সূত্ৰৰ খবৰ মতে এই ঘটনাৰ অভিযুক্ত আৰু নেচনেল টেষ্টিং এজেন্সীৰ ৰসায়ন বিজ্ঞান বিষয়ৰ বিশেষজ্ঞ পি ভি কুলকাৰ্নিয়ে বাস কৰা পুনেৰ এটা আৱাসিক সমিতিৰ একছেছ কণ্ট্ৰ'ল এপকে ধৰি বৃজনসংখ্যক ডিজিটেল ফৰেনছিক তথ্য-প্ৰমাণৰ ভিত্তিত এই অভিযোগনামা দাখিল কৰা হৈছে। আটাইকেইজন অভিযুক্তই সম্প্ৰতি ন্যায়িক জিম্মাত আছে। নতুন দিল্লীৰ এখন বিশেষ চিবিআই আদালতত অভিযোগনামা দাখিল কৰি সংস্থাটোৱে কুলকাৰ্নিৰ দ্বাৰা চলাই থকা বিশেষ ক'চিং ক্লাছলৈ অহা ছাত্ৰ-ছাত্ৰীসকলৰ বায়' মেট্ৰিকছক ধৰি তেওঁৰ ছ'চাইটীৰ এপৰ পৰা তথ্য-পাতি সংগ্ৰহ কৰা হৈছে বুলি দাবী কৰে। হাউছিং ছ'চাইটীখনৰ প্ৰৱেশ পথত তালৈ অহা-যোৱা কৰা

(দহ পৃষ্ঠাত চাওক)

## ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ ইনড'ৰ ষ্টেডিয়ামত বেডমিণ্টন কৰ্টত নতুন মেটৰ উদ্বোধন




ৰঙিলী বাৰ্ত্তাসেৱা- ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ ইনড'ৰ ষ্টেডিয়ামত জৱাহৰলাল নেহৰু পৰ্ট অথৰিটিৰ অৰ্থ সাহাৰ্জ্যযোগে পাঁচখন বেডমিণ্টন কৰ্টত অত্যাধুনিক চিন্থেটিক মেট স্থাপন কৰা হয়। এই আন্তঃ গাঁথনি উন্নয়ন আৰু চিন্থেটিক মেট স্থাপনৰ আনুষ্ঠানিক ভাৱে আজি উদ্বোধন কৰে অসম বেডমিণ্টন সন্থাৰ সচিব তথা ভাৰতীয় বেডমিণ্টন সন্থাৰ (বাই) উপ সভাপতি ওমৰ ৰছিদে। উল্লেখযোগ্য যে, জৱাহৰলাল নেহৰু পৰ্ট অথৰিটিয়ে এই আন্তঃ গাঁথনি উন্নয়নৰ বাবে জিলা ক্ৰীড়া সন্থাক ১৯ লাখ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰিছে। ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ সভাপতি নিৰঞ্জন শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত উপস্থিত থকা অসম বেডমিণ্টন সন্থাৰ সচিব ওমৰ ৰছিদে কয় যে ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাই ক্ৰীড়া প্ৰতিভাৰ উন্নয়নৰ ক্ষেত্ৰত প্ৰশংসনীয় কাম কৰি আহিছে। জিলা ক্ৰীড়া সন্থাই কেইবাগৰাকী আন্তঃ ৰাষ্ট্ৰীয় বেডমিণ্টন খেলুৱৈ উলিয়াবলৈ সক্ষম হৈছে। তাৰ বাবে ৰছিদে জিলা ক্ৰীড়া সন্থাক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কণ কণ খেলুৱৈ সকলক সন্থাই প্ৰদান কৰা এই সুবিধা গ্ৰহণ কৰি নিজৰ একাগ্ৰতা পৰিশ্ৰমৰ যোগেদি উচ্চ শিখৰত উপনীত হবলৈ আহ্বান জনায়। তেখেতে ক্ৰীড়াৰ উন্নয়নৰ ক্ষেত্ৰত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰতি ক্ষেত্ৰতে সহায় সহযোগিতা আগবঢ়াই অহাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। চলিত মাহৰ শেষৰ ফালে ডিব্ৰুগড়ত অনুষ্ঠিত হ'বলগীয়া আন্তঃ জিলা বেডমিণ্টন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি খেলুৱৈ সকলক নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰিবলৈ আহ্বান জনায়। তেওঁ আৰু কয় যে পোনপ্ৰথমবাৰৰ বাবে অসমত বেডমিণ্টনৰ পইণ্ট ৰপ্ত লৈ হ্ৰাস কৰা হৈছে। ডিব্ৰুগড়ত অনুষ্ঠিত হ'বলগীয়া আন্তঃ জিলা বেডমিণ্টন চেম্পিয়নশ্বিপত খেল সমূহ ৰপ্ত পইণ্টৰ হ'ব। ভাৰতবৰ্ষতো এই নতুন নিয়ম প্ৰৱৰ্তন কৰা হ'ব বুলি তেওঁ কয়। নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি জ্যেষ্ঠ সাংবাদিক প্ৰবীৰ কুমাৰ

(দহ পৃষ্ঠাত চাওক)

# নিযুত মইনা-নিযুত বাবু আঁচনিৰ আবেদন-পত্ৰ বিতৰণৰ শুভাৰম্ভ মুখ্যমন্ত্ৰীৰ




ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত এক অনুষ্ঠানত বৃহস্পতিবাৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ২০২৬-২৭ বৰ্ষৰ বাবে মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনি আৰু মুখ্যমন্ত্ৰীৰ নিযুত বাবু আঁচনিৰ আবেদন-পত্ৰ বিতৰণৰ শুভাৰম্ভ কৰে ।একেটা অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাৰ বানপীড়িত বিদ্যালয়সমূহক প্ৰত্যক্ষ লাভালাভ হস্তান্তৰ প্ৰক্ৰিয়াৰ জৰিয়তে আৰ্থিক সাহায্য বিতৰণ কৰে আৰু শেহতীয়া বানত গুৰুতৰভাৱে ক্ষতিগ্ৰস্ত শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ শিক্ষাৰ্থীক শিক্ষা সামগ্ৰী ক্ৰয়ৰ আৰ্থিক সাহায্য প্ৰদানৰ শুভাৰম্ভ কৰে।উল্লেখ্য যে ৰাজ্যৰ শিক্ষাৰ্থীসকলৰ উচ্চশিক্ষাৰ সপোন বাস্তৱায়িত কৰিবলৈ ক্ৰমাগত তৃতীয়টো বৰ্ষৰ বাবে ৰাজ্য চৰকাৰে মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনি আৰু দ্বিতীয়টো বৰ্ষৰ বাবে মুখ্যমন্ত্ৰীৰ নিযুত বাবু আঁচনি ৰূপায়ণ কৰিবলৈ আগবাঢ়িছে । উল্লেখ্য যে গুৱাহাটীত অনুষ্ঠিত কেন্দ্ৰীয় অনুষ্ঠানৰ সমান্তৰালভাৱে বৃহস্পতিবাৰে সমগ্ৰ ৰাজ্যৰ ৪৫২ খন শিক্ষানুষ্ঠানত একে সময়তে আঁচনি দুখনৰ আবেদন-পত্ৰ বিতৰণৰ ব্যৱস্থা কৰা হয় ।২০২৬-২৭ বৰ্ষত এই আঁচনি দুখনৰ অধীনত মুঠ ১, ৯৫৯ খন বিদ্যালয় সামৰি লোৱা হ'ব । আনহাতে, অহা ১০ অক্টোবৰত এই আঁচনি দুখনৰ অধীনত যোগ্য




শিক্ষাৰ্থীসকলক চেক বিতৰণ কৰা হ'ব ।ইয়াৰ উপৰি শেহতীয়া বানত শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাত বহুসংখ্যক শিক্ষানুষ্ঠানৰ আন্তঃগাঁথনিৰ ক্ষতি হোৱাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাগ্ৰহণৰ পৰিৱেশ বাধাগ্ৰস্ত হোৱাৰ প্ৰতি লক্ষ্য ৰাখি অসম চৰকাৰে ক্ষতিগ্ৰস্ত বিদ্যালয়সমূহৰ মেৰামতিৰ কাম অগ্ৰাধিকাৰ ভিত্তিত হাতত লৈছে।ৰাজ্যিক দুৰ্যোগ সঁহাৰি নিধিৰ নিৰ্দেশনা অনুসৰি প্ৰতিখন ক্ষতিগ্ৰস্ত বিদ্যালয়ৰ আন্তঃগাঁথনি মেৰামতিৰ বাবে ২ লাখ টকাকৈ আৰ্থিক সাহায্য প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। মুঠ ৭৯৩খন ক্ষতিগ্ৰস্ত বিদ্যালয়লৈ ডিবিটিৰ জৰিয়তে ১৫.৮৬ কোটি টকা আজি হস্তান্তৰ কৰা হয়।ইয়াৰে শিৱসাগৰ জিলাৰ ৫৫০খন বিদ্যালয়ৰ বাবে ১১ কোটি টকা, চৰাইদেউ জিলাৰ ৰৰৰখন বিদ্যালয়ৰ বাবে ২.২২ কোটি টকা, যোৰহাট জিলাৰ ১০৩খন বিদ্যালয়ৰ বাবে ২.০৬ কোটি টকা আৰু গোলাঘাট জিলাৰ ২৯খন বিদ্যালয়ৰ বাবে ৫৮ লাখ টকা হস্তান্তৰ কৰা হৈছে। ইপিনে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা বানাক্ৰান্ত শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ উচ্চতৰ মাধ্যমিকৰ শিক্ষাৰ্থীৰ বাবে ১, ০০০ টকা, স্নাতক পাঠ্যক্ৰমৰ শিক্ষাৰ্থীৰ বাবে ৩, ০০০ টকা আৰু স্নাতকোত্তৰ পাঠ্যক্ৰমৰ শিক্ষাৰ্থীৰ বাবে ৫, ০০০ টকাৰ আৰ্থিক সাহায্য চৰকাৰে আগবঢ়াইছে।পলিটেকনিক আৰু বি এড শিক্ষাৰ্থীয়েও এই সহায় লাভ কৰিব। মুঠ ২১, ০২৫ গৰাকী শিক্ষাৰ্থীলৈ শিক্ষা সামগ্ৰী ক্ৰয়ৰ সাহায্য হিচাপে ৪.২৬ কোটিৰো অধিক টকা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। অনুষ্ঠানত শিক্ষাৰ্থীক উদ্দেশ্যি মুখ্যমন্ত্ৰীৰ মন্তব্য- (দহ পৃষ্ঠাত চাওক)

# গুৱাহাটী-তেজপুৰ চাৰিলেনযুক্ত পথলৈ ৮, ৯৭০ কোটি টকাৰ অনুমোদন কেন্দ্ৰৰ




ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ পথ যোগাযোগৰ আন্তঃগাঁথনি উন্নয়নত ঐতিহাসিক পদক্ষেপ গ্ৰহণ কৰি বৃহস্পতিবাৰে কেন্দ্ৰীয় কেবিনেটে অসমৰ ফ'ৰলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ বাবে বৃহৎ পুঁজিৰ আবণ্টন দিয়ে।। প্ৰধানমন্ত্ৰী মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত অৰ্থনৈতিক পৰিক্ৰমা সম্পৰ্কীয় কেবিনেট কমিটীয়ে ৰাজ্যৰ ১৫নং ৰাষ্ট্ৰীয় ঘাইপথৰ ১৩৫.৮৭১ মঙলদৈ বাইপাছৰ ১৫.১১ কিঃ মিঃ বাদ দি কিলোমিটাৰ দৈৰ্ঘ্যৰ চাৰিলেনযুক্ত, প্ৰৱেশ নিয়ন্ত্ৰিত কৰিড'ৰটো নিৰ্মাণৰ প্ৰস্তাৱত আনুষ্ঠানিকভাবে অনুমোদন জনায়।ৰাষ্ট্ৰীয় ঘাইপথ আঁচনিৰ অধীনত 'বিল্ট-অপাৰেট-ট্ৰান্সফাৰ' টোল ব্যৱস্থাৰ অধীনত ৮, ৯৭০.২০ কোটি টকাৰ মুঠ মূলধনী ব্যয়েৰে এই মেগা প্ৰকল্প ৰূপায়ণ কৰা হ'ব বুলি চৰকাৰী বিবৃতিত প্ৰকাশ কৰা হৈছে। প্ৰকল্পটোৱে ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ বিদ্যমান ২৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত যান-জটৰ সমস্যা হ্ৰাস কৰিব (দহ পৃষ্ঠাত চাওক)

# ৬ষ্ঠ সদৌ অসম কলাৰিপায়াত্তু চেম্পিয়নশ্বিপ, দক্ষিণ কামৰূপৰ খেলুৱৈৰ উজ্জ্বল সাফল্য




ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ স্বীকৃতিপ্ৰাপ্ত তথা গোলাঘাট কলাৰিপায়াত্তু সংস্থাৰ উদ্যোগত যোৱা ২৯, ৩০ আৰু ৩১ জুলাইত গোলাঘাটত অনুষ্ঠিত হৈ যায় ৬ষ্ঠ সদৌ অসম কলাৰিপায়াত্তু চেম্পিয়নশ্বিপ ২০২৬। এই ৰাজ্যিক প্ৰতিযোগিতাত দক্ষ প্ৰশিক্ষক ভাস্কৰজ্যোতি সাউদৰ নেতৃত্ব আৰু প্ৰশিক্ষণেৰে দক্ষিণ কামৰূপৰ কেইবাগৰাকীও উদীয়মান খেলুৱৈয়ে পদক বুটলি সমগ্ৰ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে।প্ৰশিক্ষক সাউদৰ তত্ত্বাৱধানত জিলিকি উঠা খেলুৱৈসকলৰ ভিতৰত দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ ভুৰাপাৰা পথম চুবাৰ নিবাসী নয়ন দাস আৰু পণিতা দাসৰ একমাত্ৰ পুত্ৰ তথা মিৰ্জাস্থিত শ্ৰী চৈতন্য স্কুলৰ ছাত্ৰ মিঠু দাসে ১৪ বছৰ অনুৰ্দ্ধ্ৰ ৩০ কেজি শাখাত চমকপ্ৰদ প্ৰদৰ্শন দি ৰূপৰ পদক অৰ্জন কৰে। পূৰ্বেও ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সুখ্যাতি অৰ্জন কৰা মিঠু দাসৰ এই সফলতাই সমগ্ৰ পলাশবাৰী সমষ্টিবাসীক গৌৰৱান্বিত কৰি তুলিছে। পুত্ৰৰ এই সফলতাত আনন্দ প্ৰকাশ কৰি পিতৃ-মাতৃয়ে সন্তানৰ ভৱিষ্যত উন্নতিৰ বাবে অসমবাসীৰ আশীৰ্বাদ কামনা কৰিছে। (নপৃষ্ঠাত চাওক)

# নিজৰ টকাৰে বান সাহায্য দিয়কঃ মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- উজনিৰ ভয়াৱহ বান পৰিস্থিতিৰ বাবে সাহায্যৰ নামত বিভিন্ন সংগঠন তথা অনুষ্ঠান-প্ৰতিষ্ঠানে বাটে-পথে পুঁজি সংগ্ৰহ কৰাৰ বিষয়টোত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে । বাটে-ঘাটে বান সাহায্য সংগ্ৰহৰ বিষয়টোত আৰক্ষীক নজৰ ৰাখিবলৈ নিৰ্দেশ দিছে । বৃহস্পতিবাৰে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত এক অনুষ্ঠানৰ পিছতে সংবাদ মাধ্যমৰ সৈতে হোৱা মুখামুখিত মুখ্যমন্ত্ৰীৰ স্পষ্ট ঘোষণা- য'তে-ত'তে বাকচ লৈ ৰাজপথত ধন উঠাব নোৱাৰিব কোনেও। একাংশ অখ্যাত সংগঠনৰ কাৰ্যকলাপক লৈ ক্ষুব্ধ হৈ পৰা মুখ্যমন্ত্ৰীয়ে কয়- বানৰ নামত সাহায্য উঠোৱাৰ প্ৰয়োজন নাই। মই দেখিছোঁ যে ৰাস্তাই-ঘাটে বাকচ লৈ পইচা তোলা হৈছে। বেলেগৰ পৰা পইচা লৈ আমি সাহায্য দিব নালাগে। নিজৰ টকাৰে যদি সামৰ্থ্য, তেন্তে সাহায্য দিব লাগে। আপুনি যদি মোৰ টকা লৈ আপোনাৰ বেনাৰৰ নামত সাহায্য দিয়ে, তেন্তে সেই সাহায্য প্ৰদান মোৰ নহ'ব। মই দেখিছোঁ যে বহুতে বাকচ লৈ, স্কেনাৰ লৈ ধন তুলি আছে। তাৰ মানে সেয়া নিজৰ পইচাৰে বান সাহায্য দিয়া হোৱা নাই। আনৰ পইচাৰে বান সাহায্য দিছে। সেয়া মোৰ বোধেৰে বান সাহায্য নহয়। আমি আৰক্ষীকো নিৰ্দেশ দিছোঁ যাতে কোনো ক্ষেত্ৰতে দোকান-পোহাৰ, সাধাৰণ নাগৰিকৰ পৰা বলপূৰ্বকভাৱে ক'তো বান সাহায্য তোলা নহয়। কাৰণ এতিয়া গোটেই পৰিৱেশটো চৰকাৰৰ নিয়ন্ত্ৰণত আহিছে। বানাক্ৰান্ত সকলো ঠাইত চৰকাৰে এতিয়া যাবলৈ সক্ষম হৈছে। প্ৰথম ৭ দিনত পৰিৱেশটো অলপ বেলেগ আছিল, চৰকাৰ সকলো স্থানলৈ যাব পৰা নাছিল। এতিয়া চৰকাৰ প্ৰতিটো স্থানলৈ যাব পাৰিছে আৰু ৰাইজেও প্ৰত্যক্ষভাৱে চৰকাৰৰ ওচৰত আহিব পাৰিছে। চৰকাৰৰ ফালৰ পৰা এতিয়া বানত আক্ৰান্ত অঞ্চলৰ জৰীপ চলাই চূড়ান্ত ক্ষয়-ক্ষতিৰ হিচাপ কৰা হ'ব। গতিকে যিয়ে নিজৰ ধনেৰে সাহায্য দিব খোজে, তেওঁক আমি আদৰণি জনাম। কিন্তু ১০জন লগ হৈ দোকানে দোকানে গৈ বান সাহায্য দিয়াৰ কোনো মিনিং নাই। (নপৃষ্ঠাত চাওক)

# মুখ্যমন্ত্ৰী ড° শৰ্মাৰ সৈতে নেপালীখুঁটি পৰিদৰ্শন কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাৰ

ৰঙিলী বাৰ্ত্তাসেৱা- বানে বিধ্বস্ত কৰা উজনি অসমৰ নাজিৰাৰ বিহুবৰ-নেপালীখুঁটিৰ বানাক্ৰান্ত অঞ্চল পৰিদৰ্শন কৰে কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক সংগ দিয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে ৰাজ্যৰ কেবিনেট মন্ত্ৰী অশোক সিংঘল, মন্ত্ৰী পীযূষ হাজৰিকা, মন্ত্ৰী কেশৱ মহন্ত, বিধায়ক তৰংগ গগৈ আৰু নাজিৰাৰ বিধায়ক ময়ূৰ বৰগোহাঁয়ে। কেন্দ্ৰীয় মন্ত্ৰী-গৰাকীয়ে অসম চৰকাৰৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সৈতে আহি নাজিৰাৰ চণ্টক পূজা খেলপথাৰত হেলিকপ্টাৰেৰে অৱতৰণ কৰি তাৰ পৰা প্ৰায় এক কিঃমিঃ গাড়ীৰে আহি বিহুবৰত উপস্থিত হৈ ইয়াৰ পৰা ট্ৰেক্টৰত উঠি নেপালীখুঁটিলৈ ৰাওনা হয়। সৰ্বস্বান্ত হৈ পৰা নেপালীখুঁটিৰ বানে ধোৱাই নিয়া অঞ্চলটো পৰিদৰ্শন কৰি স্থানীয় লোকৰ সৈতে জৰ্জৰিত সমস্যা সন্দৰ্ভত মত বিনিময় কৰে কেন্দ্ৰীয় মন্ত্ৰী নাড্ডাই। বান পৰিস্থিতিৰ বুজ লোৱাৰ পাছতে কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই স্থানীয় ৰাইজ আৰু সাংবাদিকসকলক উদ্দেশ্যি কয় যে আজি মই শিৱসাগৰ জিলাৰ নাজিৰা সমষ্টিৰ নেপালীখুঁটিত অহাৰ সুযোগ পালোঁ। মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ সৈতে মই চাইছোঁ যে এই বানৰ বাবে কিমান লোকচান হৈছে। যি ফালৰ পৰা নদী বৈ আহিছে ইয়াৰ পৰাই বহুসংখ্যক গাঁৱৰে ক্ষতি হৈছে। বহুত বেছি লোকচান হৈছে। লোকচান সা-সম্পত্তিৰো হৈছে, গৰু-ম'হৰো হৈছে। আনকি মানুহৰ



সম্পত্তিৰো বহুত লোকচান হৈছে। এই দুখৰ সময়ত আমি সকলো আপোনালোকৰ লগত আছোঁ। ভাৰত চৰকাৰ আপোনালোকৰ লগত আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰসংগৰে কেন্দ্ৰীয় মন্ত্ৰী নাড্ডাই কয়, প্ৰধানমন্ত্ৰী মোদীয়ে সকলো সময়ত উজনি অসমৰ বান পৰিস্থিতিৰ খবৰ লৈ আছে। তেওঁ সকলো সহযোগিতা প্ৰদান কৰিব বুলি আশ্বাস দিছে। প্ৰধানমন্ত্ৰীয়ে বানৰ বাস্তৱ পৰিস্থিতিৰ বুজ ল'বলৈ মোক পঠিয়াইছে। বানৰ ফলত হোৱা সকলো ক্ষতি হোৱাত বন্যাৰ্তক

( নপৃষ্ঠাত চাওক)

# জে পি নাড্ডাৰ সৈতে বান পৰিস্থিতিৰ যুটীয়া পৰ্যালোচনা বৈঠক মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধি হিচাপে অসমৰ বান পৰিস্থিতিৰ বুজ ল'বলৈ অহা কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী জে পি নাড্ডাৰ সৈতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যুটীয়াভাৱে ডিব্ৰুগড়ৰ মুখ্যমন্ত্ৰীৰ সচিবালয়ত অসমৰ বান পৰিস্থিতিৰ পৰ্যালোচনা কৰে। উজনি অসমৰ শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাত শেহতীয়াকৈ হোৱা প্ৰলয়ংকৰী বানক বিশেষ গুৰুত্ব প্ৰদানেৰে হোৱা এই পৰ্যালোচনা বৈঠকত চলিত বাৰিষাত অসমৰ বিভিন্ন জিলাত পৰা বানৰ প্ৰভাৱ, বানপীড়িতক সাহায্য প্ৰদান, পুনৰ্বাসনৰ বাবে কেনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে সেই সন্দৰ্ভত বিস্তৃত

( নপৃষ্ঠাত চাওক)

# প্ৰলয়ংকাৰী বানৰ মাজতে দয় কাও ৰং একাডেমীৰ ১৩ শিশু-সাহিত্যিকৰ দায়বদ্ধতা



ৰঙিলী বাৰ্ত্তাসেৱা- উজনি অসমৰ ভয়াবহ বান পৰিস্থিতিৰ মাজতে দয়-কাও-ৰং একাডেমীয়ে সাহিত্য আৰু সমাজসেৱাৰ এক অনন্য দৃষ্টান্ত স্থাপন কৰে। একাডেমীয়ে পূৰ্বনিৰ্ধাৰিত আড়ম্বৰপূৰ্ণ গ্ৰন্থ উন্মোচনী অনুষ্ঠান বাতিল কৰি ডিব্ৰুগড়ৰ নগাখেলিয়াস্থিত 'দয়-কাও-ৰং পথ-পুথিভঁৰাল'ৰ সমীপত এক অনাড়ম্বৰ পৰিৱেশত ১৩ গৰাকী শিশু-সাহিত্যিকৰ ১৪খন শিশু-উপন্যাসৰ প্ৰতীকী উন্মোচন সম্পন্ন কৰে। উন্মোচিত উপন্যাসসমূহ হ'ল - ইমন বেজবৰুৱাৰ 'সাঁচিপতীয়া পুথিৰ ৰহস্যৰ পম খেদি', কলচুম বিবিৰ 'ৰৈ ৰৈ উৰিবি অ' চিত পখিলী', কাকলি নেওগৰ 'নতুন দিনৰ জলমল পৃথিৱী', কুইলিন কাকতিৰ 'অমনৰ অসম ভ্ৰমণ', গায়ত্ৰী গগৈৰ 'সপোন দেখোঁ আহাঁ', মন্দিৰা চুতীয়াৰ 'এন্দ্ৰাৰ আঁতৰি যায়' আৰু 'ঋষিৰ ডিবৰু ভ্ৰমণ', মীনাক্ষী বৰাৰ

( নপৃষ্ঠাত চাওক)

# ৰিদীপৰ দুৰ্ভগীয়া পৰিয়ালৰ কাষত মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰলয়ংকৰী বানপানীত নিজৰ পোহনীয়া কুকুৰক বছাবলৈ গৈ মৃত্যু হোৱা ৰিদিপ পানিকা নামৰ কিশোৰটিৰ বাসগৃহত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পৰিয়ালটোক সাক্ষাৎ কৰে। উল্লেখ্য যে ১৯ জুলাইত আকস্মিকভাৱে অহা চুনামি সদৃশ বানপানীত নাজিৰাৰ বামুন পুখুৰী গাঁৱৰ নিবাসী দিপক পানিকা আৰু ভাৰতী পানিকাৰৰ একমাত্ৰ পুত্ৰ তথা সপ্তম শ্ৰেণীৰ ১৩ বছৰীয়া ৰিদিপ পানিকাৰে নিজৰ মৰমৰ পোহনীয়া কুকুৰ বৰুণক বচাবলৈ গৈ চিৰদিনলৈ বিদায় লৈছিল। একমাত্ৰ পুত্ৰক হেৰুৱাই এতিয়া চকুলোৰে বাট নেদেখা অৱস্থা দীপক পানিকা আৰু পাৰ্বতী পানিকাৰ। মুখ্যমন্ত্ৰীক সন্মুখতে পাই তেওঁৰ বুকুত মূৰ গুঁজি হুকহুকাই কান্দি উঠিল ৰিদীপৰ মাতৃয়ে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই


( নপৃষ্ঠাত চাওক)

# ডিব্ৰুগড়ত অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী বিশ্বজিৎ দৈমাৰী শ্ৰী শ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয় পৰিদৰ্শন



ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী বিশ্বজিৎ দৈমাৰীয়ে ডিব্ৰুগড়ত শ্ৰী শ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয় পৰিদৰ্শন কৰে। এই উপলক্ষে বিশ্ববিদ্যালয়ৰ প্ৰশাসনীয় ভৱনত অনুষ্ঠিত এখন সভাত মন্ত্ৰী গৰাকীয়ে বিশ্ববিদ্যালয়খনৰ বৰ্তমানৰ পাঠ্যক্ৰম, অন্তঃগাঁথনি আৰু বিভিন্ন সমস্যাৰাজিৰ বিষয়ে বিশ্ববিদ্যালয় কৰ্তৃপক্ষ লগত আলোচনা কৰে। বিশ্ববিদ্যালয়খনে দীৰ্ঘদিনৰ পৰা আবেদন কৰি অহা বিভিন্ন সমস্যা যেনে-শিক্ষক নিযুক্তি, বিষয়া, কৰ্মচাৰী নিযুক্তি আদি সম্পৰ্কীয় কাম বিলাক অতি শীঘ্ৰে কৰিবলৈ মন্ত্ৰীগৰাকীয়ে ক্ৰীড়া বিভাগৰ বিশেষ সচিবক নিৰ্দেশনা দিয়ে। বিশ্ববিদ্যালয়খনে সন্মুখীন হৈ অহা অন্যান্য সমস্যাৰাজিৰ বিষয়ে লগতে বিশ্ববিদ্যালয়খনৰ উন্নতিৰ কাৰণে অসমৰ মুখ্যমন্ত্ৰীৰ লগতো আলোচনা কৰিব বুলি তেখেতে বিশ্ববিদ্যালয় কৰ্তৃপক্ষক প্ৰতিশ্ৰুতি প্ৰদান কৰে। আলোচনাৰ সময়ত অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, ডিব্ৰুগড় জিলাৰ উন্নয়ন আয়ুক্ত নন্দিতা বৰুৱা, বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য্য হীৰেন্দ্ৰ নাথ শৰ্মা, পঞ্জীয়ক পংকজ বৰঠাকুৰকে প্ৰমুখ্য কৰি বহুতো বিষয়া কৰ্মচাৰী উপস্থিত থাকে। বিশ্ববিদ্যালয়খনৰ উন্নতিৰ বাবে এইবাৰ দৃঢ়ভাৱে পদক্ষেপ গ্ৰহণ কৰি বিশ্ববিদ্যালয়খনক উন্নতিৰ দিশত আগবঢ়াই নিব বুলি স্থানীয় ৰাইজে আশা প্ৰকাশ কৰে।

# শাওণ মাহ দেৱাদিদেৱ শিৱ আৰু প্ৰকৃতি



ভাৰতীয় সংস্কৃতি আৰু ঋতুচক্ৰত শ্ৰাৱণ বা শাওণ মাহৰ এক সুকীয়া মহত্ব আছে। শাওণ মাহ কেৱল এটা অসমীয়া কেলেণ্ডাৰৰ মাহেই নহয়, ই হ'ল প্ৰকৃতিৰ নৱৰূপ আৰু আধ্যাত্মিক চেতনাৰ এক অপূৰ্ব সংমিশ্ৰণ। বৰ্ষা কালৰ ধাৰাসাৰ বৃষ্টিপাত আৰু দেৱাদিদেৱ মহাদেৱৰ পূজা-অৰ্চনা-এই দুই উপাদানে মিলি শাওণ মাহক এক পবিত্ৰ আৰু উছৱমুখৰ পৰিৱেশলৈ ৰূপান্তৰিত কৰে।

**শচীন্দ্ৰ কুমাৰ দাস, পলাশবাৰী**

বৰ্ষা কালত শাওণ মাহৰ আগমনত ধৰা যেন জিপাল হৈ উঠে ।গ্ৰীষ্মৰ প্ৰচণ্ড উত্তাপৰ পিছত বৰষুণৰ টোপালবোৰে শুকান ধৰিত্ৰীক নতুন জীৱন দিয়ে। এই সময়ত গছ-লতা, তৰু-তৃণ আদি সকলো সেউজীয়া আৰু সজীৱ হৈ উঠে।নদী-বিলসমূহ পানীৰে উপচি পৰে আৰু প্ৰকৃতিৰ বিনন্দীয়া শ্ৰাৱণ ৰূপত সমগ্ৰ ধৰা নাচি উঠে। এই প্ৰাকৃতিক পৰিৱৰ্তনে মানুহৰ মনলৈকো এক গভীৰ প্ৰশান্তি কঢ়িয়াই আনে।

শাওণ মাহ আৰু ভগৱান শিৱৰ আৰাধনাৰ মাজত এক গভীৰ পৌৰাণিক সংযোগ আছে। হিন্দু শাস্ত্ৰ অনুসৰি, এই শাওণ মাহতে মহা সমুদ্ৰ মন্থনৰ সময়ত আটাইতকৈ ভয়াৱহ বিষ 'হলাহল' ওলাইছিল। সৃষ্টি ধ্বংস হোৱাৰ পৰা ৰক্ষা কৰিবলৈ ভগৱান শিৱেই সেই মাৰাত্মক বিষ নিজৰ কণ্ঠত ধাৰণ কৰিছিল, যাৰ বাবে তেওঁ 'নীলকণ্ঠ' নামেৰে পৰিচিত হয়।বিষৰ তীব্ৰ উত্তেজনা শান্ত কৰিবলৈ দেৱতাসকলে শিৱৰ শিৰত পবিত্ৰ জল অৰ্পণ কৰিছিল। বৰ্ষা কালৰ ধাৰাসাৰ বৃষ্টিপাতক প্ৰকৃতিয়ে মহাদেৱক শীতল কৰাৰ এক চিৰন্তন প্ৰক্ৰিয়া বুলি গণ্য কৰা হয়। এই বিশ্বাসৰ আধাৰতে ভক্তসকলে শাওণ মাহত শিৱলিংগত জল আৰু গাখীৰ ঢালি পূজা কৰে।

শাওণ মাহৰ প্ৰতিটো সোমবাৰে শিৱ মন্দিৰ বিলাকত ভক্তৰ অভূতপূৰ্ব ভিৰ দেখা যায়। অসমৰ ঐতিহাসিক শিৱদৌল, মহাকাল থান বা বিভিন্ন স্থানীয় শিৱ *(সাতপৃষ্ঠাত চাওক)*


# ঠিকনাটো চিনি পোৱানে ?



**ড° কংকনা মেধি**

মোক বাৰু তাত সদায় লগ নাপাবা...,  
মই এতিয়া লুইতপৰীয়া হ'লোঁ।  
তথাপি ঠিকনাটো ৰাখি থোৱা...।  
আমাৰ গাঁৱলৈ সোমোৱা বাটটোৰ সমুখতে  
নীলাকৈ এটা পাহাৰ দেখিবা,  
গাঁৱলৈ সোমাওঁতে বাওঁফালে মন কৰি যাবা,  
যাৰ চোতালত ঢেৰ গছ আৰু ফুলনি দেখিবা,  
য'ত সৰু সৰু চৰাইবোৰৰ মাত বেছিকৈ শুনিবা,  
সেইখনেই আমাৰ ঘৰ...।  
গছ ভালপোৱা মায়ে উভতাৰ পৰত হয়তো এখন ৰুমাল,  
নাইবা এখন গামোচা দি পঠিয়াব।  
চৰাই ভালপোৱা দেউতাই  
নিজে কৰা খেতিৰ পাচলি এভাগ দিবলৈ উথপথপ লগাব,  
ভাইটিয়ে পদুলিলৈকে আগুৱাই দিব।  
ঘৰৰ কাষতে নামঘৰ এটা আছে,  
আৰু পিছফালে এটা ৰজাৰ দিনৰ বৰপুখুৰী।  
কেতিয়াবা আবেলি মই তাৰ পাৰতে বহি থাকোঁগৈ।  
নিজান নিস্তব্ধতাত সেউজীয়া উশাহ লওঁ...।  
আৰু কোনোবা আইতাই দেখিলে কয় -  
"সন্ধিয়া ইয়াত চুলি মেলি নবহিবি।  
ওচৰতে আই থান আৰু গৰখীয়া থান আছে,  
কেতিয়াবা দেৱতাৰো নজৰ লাগে...।"

# দয়া আৰু ক্ষমা



দয়া আৰু ক্ষমা নিজৰ সীমাবদ্ধতাৰ মাজত থাকি হে কৰা উচিত, নহলে নিজৰ জীৱনেই বিপদাপন্ন হয় কেতিয়াবা ----

**নমিতা দাস, শুৱালকুছি**

দয়া আৰু ক্ষমা মানুহৰ ছয় ৰিপুৰ অন্যতম।এই ৰিপু মানুহৰ মনত অন্তঃনিহিত হৈ থকে। সেয়ে দয়া আৰু ক্ষমাই এজন ব্যক্তিক মহান কৰি তোলে, কাৰণ মানুহ হৈছে জীৱ শ্ৰেষ্ঠ। গতিকে বিবেক বিবেচনাৰে দয়া, ক্ষমাৰো অধিকাৰী এই মানৱ জীৱন। কিন্তু বৰ্তমান সময়ত মানুহৰ মাজত এই ৰিপু খুবেই কমকৈ ক্ৰিয়া কৰা দেখা যায়। কিন্তু সম্প্ৰতি এই সমাজত দয়া আৰু ক্ষমাৰ মাজেৰে নিজৰ জীৱন অতিবাহিত কৰি তোলে অনেক হৃদয়বান লোকে।

সেইদৰে জনক নন্দিনী সীতামাতাৰ দয়া ওপজাৰ বাবেই নিজৰ জীৱনৰ বিপদ সংকুল লক্ষ্মণ ৰেখাডাল পাৰ কৰিছিল। আৰু তেতিয়াই তেওঁৰ জীৱন বিপদাপন্ন হৈ পৰিছিল। সেইদৰে দাতা কৰ্ণও নিজৰ দেহৰ ৰক্ষা কবচ কাণৰ কুণ্ডলী খুলি দান দিয়াৰ বাবে মৃত্যু বৰণ কৰিব লগা হৈছিল।

বৰ্তমান সমাজত দয়া-ক্ষমাৰ স্থান প্ৰায় নোহোৱাৰ দৰেই। সেয়ে দয়া আৰু ক্ষমা নথকা বাবেই আজিৰ সমাজত ব্যভিচাৰ, অত্যাচাৰ, হাই-কাজিয়া অতি তীব্ৰতৰ ভাবে স্থান পাইছে । সৰু সৰু কথাতে মানুহে মানুহক হত্যাৰ দৰে মহাপাপ কৰিব পাৰে। ভাই -ভনীৰ মাজত সম্পৰ্কৰ শিথিলতা আহি পৰিছে ।বৃদ্ধ পিতৃ-মাতৃৰ প্ৰতি দয়া মৰম নোহোৱা হৈ ৰাজপথত এৰি যাব পৰা হৈছে। ইমানবোৰৰ পিছতো মানুহৰ হৃদয়ৰ কোনোৱা খিনিত এতিয়াও দয়া আৰু ক্ষমাই স্থান পায়, একেবাৰে নোহোৱা হৈ যোৱা নাই। সেয়ে হয়তো এতিয়াও অনাথ শিশু সকলক নিজৰ কৰি ৰখা হৃদয়বান মানুহ আছে। ৰাষ্টাৰ দাতিত এৰি যোৱা বৃদ্ধ জনক নিজৰ ঘৰলৈ নি পিতৃ-মাতৃৰ স্থান দিয়া লোকো এই পৃথিৱীতে আছে । এই মানৱ দৰদী ব্যক্তি সকল আছে বাবেই পৃথিৱীখন এতিয়াও আৱৰি আছে সুন্দৰতাৰে।

সেয়ে মানুহৰ কৰ্ম-নিষ্ঠা, কৰ্ম-নিপুনতাৰ দৰদক এচামে যিদৰে সুবিধা লয় তেনেকৈ দয়া আৰু ক্ষমাৰো সুবিধা গ্ৰহণ কৰে। যেনেকৈ মাৰীচৰ বাবে সুবিধা লৈছিল লঙ্কাধিপতি ৰাৱণে। মাৰীচ আছিল লঙ্কাধিপতি ৰাৱণ ৰজাৰ মোমায়েক। তেওঁ যিকোনো ৰূপ ধাৰণ কৰিব পাৰিছিল। সেয়েহে সেই সুযোগ ল'লে ৰাৱণে। আকৌ পাশাখেলত পিতামহ ভীষ্মৰ ক্ষমা দানে দুৰ্যোধন, দুঃযাসনক অপকাৰ্যত লিপ্ত হবলৈ আৰু বেছি মনোবল দিছিল। এয়াই নহয় ৰজা ধৃতৰাষ্ট্ৰৰো পুত্ৰৰ প্ৰতি থকা অত্যাধিক প্ৰেমে আৰু গান্ধাৰীৰ পতিভক্তিৰ ত্যাগে নিজৰ পুত্ৰৰ জীৱন ধ্বংসৰ পথলৈ লৈ গৈছিল।

আনহাতে বৰ্তমান সমাজ ব্যৱস্থাৰ আমোল পৰিবৰ্তন হলেও আজিৰ সমাজত চলিবলৈ দয়া আৰু ক্ষমাৰ মাপ কাঠিৰ মাজত সীমাবদ্ধ ৰখাৰ প্ৰয়োজন। অত্যাধিক সকলোতে বেয়া। বাৰে বাৰে কৰা দয়াই অভ্যাসত পৰিণত কৰে। ফলত যাক দয়া কৰা হয় সেইজন নিষ্কৰ্মা আৰু এলেহুৱা হবলৈ ধৰে। সময় সুবিধা পালে নাগপাশৰ দৰে মেৰিয়াই ধৰে দয়াকৰা ব্যক্তিগৰাকীৰ জীৱনত। সেইদৰে অত্যাধিক ক্ষমা দানেও সুযোগ আৰু সুবিধা গ্ৰহণ কৰে। ভুলৰ প্ৰায়চিত্ত কৰাৰ পৰিবৰ্তে আকৌ ন উদ্দমেৰে ভুল কৰিবলৈ মনত পোখা মেলে ।তাৰফলত ক্ষমা কৰা ব্যক্তি গৰাকীকে বিপদত পেলায় ।

অতিমাত্ৰা কৰা দয়া আৰু ক্ষমাৰ কিছুমান ভুলে বৰ্তমান সময়ত সন্তান সকলকো অধিক ক্ষতি সাধন কৰিছে আৰু সন্তানক বিপথে পৰিচালিত কৰিছে । সৰুৰে পৰা মাত্ৰাধিক মৰমে তেওঁলোকৰ ভুলবোৰ আঙুলিয়াই দিয়াৰ পৰিবৰ্তে ক্ষমা কৰাৰ ফলত একেটা ভুলকে বাৰে বাৰে কৰি পিছলৈ অভ্যাসত পৰিণত হয় পৰে। পাছলৈ সেই অভ্যাস ত্যাগ কৰিব নোৱাৰা হৈ চিৰস্থায়ী হয় ।তদ্ৰূপ ঘৰখন আৰ্থিকভাৱে কিমান সুচল সেইটো নভৱাকৈ সন্তানৰ অভাৱ অভিযোগ বোৰ তেওঁলোকৰ মনৰ ইচ্ছাবোৰ পুৰণ কৰাৰ যি হাবিয়াস সেই হাবিয়াসৰ ফলতো তেওঁলোকৰ তাগিদা বৃদ্ধি হয়।এটা সময়ত অভিভাৱকে নভৱা গধুৰ তাগিদা দিবলৈ সুবিধা লয় সন্তানে। সন্তানৰ তাগিদা পুৰণ কৰিব নোৱাৰিলে অসৎ উপায়ো অৱলম্বন কৰিবলৈ কুণ্ঠাবোধ নকৰে। তেতিয়াই সমাজত কিছুমান অপকৰ্মৰ সৃষ্টি হয় ।

# বানৰ দিনলিপি



**অলকা বুজৰ বৰুৱা, নলবাৰী**

ডাৱৰে যেতিয়া ক'লা চিয়াঁহীৰে
আকাশলৈ বিষাদৰ চিঠি লিখে
অশান্ত হৈ পৰে আকাশৰ হৃদয়
টোপাটোপে নিগৰে অশ্ৰু,
পৃথিৱীৰ বক্ষত।
উন্মাদ হৈ পৰে নদী,
হেৰাই যায় তাৰ সকলো সীমাৰেখা
প্ৰলয়কাৰী ধুমুহাই
ঢাহি - মুহি ক্ষত বিক্ষত কৰে
মানুহৰ সপোনৰ ভেটি।
নিমিষতে হেৰাই যায়
গাওঁ, ঘৰ, পথাৰ, ঈশ্বৰৰ অপূৰ্ব সৃষ্টি
ধাননিত লুকাই যায় শস্যৰ হাঁহি
পথাৰবোৰ হৈ পৰে একোখন সাগৰ
পানীৰ বুকুত ক'ৰবাত হেৰাই যায়
ঈশ্বৰৰ অস্তিত্বও
মাকৰ বুকুৰ মাজত কঁপি উঠে
ভৱিষ্যতৰ ৰৌদ্ৰজ্বল জোনাক।
তথাপিও -
ধুমুহাৰো এদিন অন্ত আছে,
অন্ধকাৰৰো আছে শেষ সীমা
বোকাৰ বুকু ফালি
আকৌ জী উঠিব সপোন
পাহি মেলি হাঁহিব
সেউজীয়া আশাৰ পদুম
আকৌ নতুন জীৱনৰ বীজ সিঁচিব
মাটিৰ বুকুত পুনৰ পোখা মেলিব।
সংকল্পৰ নাওখন আকৌ পাল তৰি
ভৱিষ্যতৰ পথত যাত্ৰা কৰিব
কাৰণ -
বান কেতিয়াও জীৱনৰ
শেষ অধ্যায় নহয়
প্ৰতিটো বানৰ আঁৰত লুকাই থাকে
এটি নতুন প্ৰভাতৰ সম্ভাৱনা।

# জীয়াই থাকিবলৈ নিচা লাগে



**স্মৃতিৰেখা সোণোৱাল,শান্তিপুৰ, জিলিকনি চ'ক**

নিচাৰ অভাৱত দিন আৰু ৰাতিবোৰ পুৰি পেলোৱা মানুহ দেখিছেনে ? নিচাৰ অভাৱত এক বেকাৰ আৰু অৰ্থহীন জীৱন কটোৱা মানুহ লগ পাইছেনে ? মই পাইছোঁ । নিচাহীন দিনবোৰ স্বাদহীন আঞ্জাৰ দৰে, গন্ধহীন ফুলৰ দৰে। নিচাহীন জীৱন অৰ্থহীন। জীৱন নদীত মাথোঁ উটি গৈ থাকে। কোনো লক্ষ্য নাই, প্ৰাপ্তি-অপ্ৰাপ্তি বুলিবলৈ একো নাই । নিচাই উকা জীৱনক গতি দিয়ে। নিচাই জীৱনটো এক ৰঙীন কেনভাচত পৰিণত কৰে। সমৃদ্ধিশালী জীৱন এটাৰ অধিকাৰী সকলোৱে হ'ব নোৱাৰে । সেয়ে বহুতৰে জীৱনবোৰ নিৰস, ৰংহীন আৰু গতানুগতিক।

এবাৰ নিচাত ডুব যোৱা মানুহে নিচাৰ বাহিৰে অন্য কথা ভাবিবলৈ বিশেষ আহৰি নাপায়। নিচাই যাৰ সংগী- তেওঁলোকে একে মনৰ, একে পথৰ সংগীকে অহৰহ বিচাৰি থাকে। দুজন একে নিচাত ডুব যোৱা মানুহ লগ হ'লে সময়ৰ হিচাপ পাহৰি যায়। নিচাৰ মিলে মন দুটাকো কাষ চপাই আনে। তেনে লোকৰ বন্ধুত্ব বছৰ বছৰ ধৰি অটুট থাকে। সম্পৰ্ক সুদৃঢ় হ'বলৈ একে পথৰ সংগী হোৱাটোও খুউব দৰকাৰী-কেতিয়াবা অনুভৱ কৰোঁ।

এই নিচা বোলা বস্তুটো এদিনতে গঢ় লৈ উঠা তাড়না নহয়। ই মানুহৰ চেতন-অৱচেতন মনক আৱৰি ক্ৰিয়া কৰি থকা এক সত্তা। কিছুমান মানুহে আঁশৈশৱ বুকুৰ মাজত এক নিচা কঢ়িয়াই লৈ ফুৰে। কাৰোবাৰ নিচাই জীৱন পথত ফুলি উঠি সুগন্ধি বিলায় আৰু কাৰোবাৰ নিচাই জীৱম পথত মুখ থেকেচা খায়। কাৰোবাৰ নিচাই শিলৰ ছেপাতো জী উঠে। আটাইতকৈ ডাঙৰ কথাটো হ'ল বহু সংখ্যক মানুহৰ জীৱনত নিচাই নাথাকে। নিচাহীন জীৱন এটা তেওঁলোকে কেনেকৈ জীয়াই থাকে ? কিয় জীয়াই আছে - এই কথাটো সুধিলে সাৱলীলভাৱে এটা উত্তৰ দিব নোৱাৰে। নিজকে কোনোদিন এই প্ৰশ্নটো সুধি চোৱা নাই । নিজৰ ঘৰখন চাফ-চিকুনকৈ ৰখা - ইও এক নিচা হ'ব পাৰে। সুস্বাদু ৰন্ধন-প্ৰকৰণো কাৰোবাৰ বাবে নিচা হ'ব পাৰে। গ্ৰন্থ অধ্যয়ন - মানসিক আৰু বৌদ্ধিক উৎকৰ্ষ সাধনৰ এক উত্তম নিচা। ভ্ৰমণো এক প্ৰকাৰৰ নিচা। সেয়ে নিচা নথকা মানুহে এটা সময়ৰ পাছত জীৱনটো বোজা যেন অনুভৱ কৰে, কোনোবাই অসাৰ যেন ভাবিব পাৰে। তেতিয়ালৈ বহুত দেৰি হৈ যায়। নিচা থকা মানুহে জীৱনত সতকাই হাৰ নামানে। নিচাই সিহঁতৰ ভিতৰৰ মন আৰু আত্মাক জীয়াই ৰাখে । নিচাৰ মিঠা ৰাগীত নিচাপ্ৰেমীবোৰ মগন হৈ থাকে। সাহিত্যৰ নিচা, সংগীতৰ নিচা, চিত্ৰশিল্পৰ নিচা, খেলা-ধূলাৰ নিচা, নাটকৰ নিচা, আধ্যাত্মিকতাৰ নিচা, আৰ্তজনক সহায় কৰাৰ নিচা ইত্যাদি বিভিন্ন ধৰণৰ জীৱনদায়িনী নিচাত মানুহবোৰ ডুবি থাকে। নতুন কিবা সৃষ্টিৰ নিচাত জীৱনবোৰ অহৰহ ব্যস্ত থাকে । নিচাৰ যোগেদি বহুতৰ সমাজত এক পৰিচয় গঢ় লৈ উঠে। এদিন নিচাই বৃক্ষৰ ৰূপ লয়, সমাজে সেই বৃক্ষৰ ছাঁ লাভ কৰে । নিচা থকা মানুহে কেতিয়াও অকলশৰীয়া অনুভৱ নকৰে, হতাশাৰ কৰাল গ্ৰাসত নপৰে। নিচাপ্ৰেমী লোকৰ জীৱনবোধ গভীৰ। জীৱনত বহুত কিবা-কিবি কৰাৰ হাবিয়াস থাকে।

আমি আমাৰ সন্তানক সৰুতেই সিহঁতৰ ঈপ্সিত নিচাৰ স'তে চিনাকি হোৱাৰ সুযোগ প্ৰদান কৰিব লাগে। কোনো সন্তানৰ একাধিক নিচা থাকিব পাৰে। নিচাই কোনো সন্তানক পিছুৱাই নানে বৰং জীৱনত আগবাঢ়ি যোৱাত সহায়হে কৰে।

সময়ৰ লগে লগে নিচাত সাৰ-পানী যোগোৱা মানুহৰ সংখ্যা কমি যায় । মা-দেউতাৰ মৃত্যু হয়, ভাই-ভনীবোৰ দূৰৈত থাকে, বন্ধুবৰ্গ কমি যায়। একমাত্ৰ সাৰথি হৈ ৰয়, নিচা- আত্মাৰ সম্বল । এক বিশ্বস্ত সংগী।

বৃদ্ধ বয়সত কাৰো নিচা গঢ় লৈ নুঠে। হ'ব পাৰে সময় কটোৱাৰ মাধ্যম। নিচা- আশৈশৱ বুকুত কঢ়িয়াই লৈ ফুৰা এক অনামী ৰাগী।

অনুগল্প

# পি.চি.অ



**শৈলেন কুমাৰ, মিৰ্জা**

৯০ দশকৰ কথা জুনে পি.চি.অ, ত এটকা এটা ভৰাই জোনালীক ফোন কৰিব ওলাইছে। বহু আশা, সপোন সেই মুহূৰ্তত লুকাই আছে। এদিন সিহঁতে একলগে মিলিজুলি সাংসাৰিক ভাৱে সপোনৰ ঘৰ এখন সাজিব। হঠাৎ বিকট শব্দ এটা বাজি উঠিল, হাতত আইফোন লৈ জুনে কথা পাতিলে, তাৰ হেনো অহাকালি ডিজিটেল মবাইল ফোনৰ প্ৰদৰ্শনী অনুষ্ঠান আছে, তেতিয়া জুনে নষ্টালজিয়া বোৰ সামৰি বৰমূৰীয়াৰ অনুষ্ঠানত আগভাগ লবলৈ উদ্ধত হ'ল।

# শাওণ মাহ দেৱাদিদেৱ

মন্দিৰসমূহত 'বোল বোম' ধ্বনিৰে পৰিৱেশ মুখৰিত হৈ পৰে। ভক্তসকলে দূৰ-দূৰণিৰ পৰা পবিত্ৰ নদীৰ জল আনি খালী ভৰিৰে খোজ কাঢ়ি গৈ শিৱৰ জল অভিষেক কৰি ধূপ-ধুনা, বেলপাত আৰু ধতুৰা ফুলেৰে মন্দিৰসমূহ সুবাসিত কৰি তোলে।

অসম তথা সমগ্ৰ ভাৰতবৰ্ষ এক কৃষিভিত্তিক সমাজ। শাওণ মাহ হ'ল মূল খেতি বা শালি ধান ৰোৱাৰ প্ৰধান সময়। পৰ্যাপ্ত বৰষুণৰ ওপৰতে কৃষকৰ সোণালী ফচল নিৰ্ভৰ কৰে। সেয়ে, ভাল খেতি আৰু সমাজৰ মংগলৰ বাবে কৃষকসকলে প্ৰকৃতিৰ অধিনায়ক মহাদেৱৰ ওচৰত প্ৰাৰ্থনা জনায়। ইয়াত আধ্যাত্মিকতা আৰু প্ৰকৃতিৰ প্ৰয়োজনীয়তা একাকাৰ হৈ পৰে।

শাওণ মাহ কেৱল ধৰ্মীয় ৰীতি-নীতিৰ মাজতে সীমাবদ্ধ নহয়, ই প্ৰকৃতি আৰু মানুহৰ মাজৰ নিবিড় সম্পৰ্কৰো প্ৰতীক। বৰ্ষাৰ পানীয়ে যেনেকৈ বাহ্যিক জগতখন নিকা আৰু সেউজীয়া কৰে, ঠিক তেনেকৈ শাওণৰ শিৱ আৰাধনাই মানুহৰ অন্তৰৰ কলুষতা দূৰ কৰি মন পবিত্ৰ কৰে। প্ৰকৃতিৰ এই বিনন্দীয়া ৰূপ আৰু শিৱ ভক্তিৰ এই মিলন সঁচাকৈয়ে অনন্য।

# স্বাধীনতাৰ ৮০ বছৰত ভাৰতীয় নাৰীৰ যাত্ৰা



কানুপ্ৰিয়া ডেকা,হাউলী, বৰপেটা

ভাৰতৰ স্বাধীনতাৰ ইতিহাস কেৱল ৰাজনৈতিক স্বাধীনতা লাভৰ ইতিহাস নহয়; ই হৈছে অসংখ্য নৰ-নাৰীৰ ত্যাগ, সাহস, সংগ্ৰাম আৰু আত্মবলিদানৰ এক গৌৰৱময় কাহিনী। ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতে পৰাধীনতাৰ শিকলি ছিঙি স্বাধীনতা লাভ কৰাৰ সময়ত দেশৰ নাৰী সমাজেও এক নতুন আশাৰ পোহৰ দেখিছিল। স্বাধীনতাৰ পূৰ্বে যি সমাজত নাৰীৰ জীৱন বহুতো সামাজিক বাধা, অন্ধবিশ্বাস আৰু বৈষম্যৰ মাজত আবদ্ধ হৈ আছিল, সেই সমাজৰ পৰাই আজিৰ ভাৰতীয় নাৰীয়ে শিক্ষা, বিজ্ঞান, ৰাজনীতি, ক্ৰীড়া, সাহিত্য, কলা, ব্যৱসায়, প্ৰশাসন, সেনা আৰু মহাকাশ বিজ্ঞানলৈকে নিজৰ প্ৰতিভাৰ পৰিচয় দিছে। স্বাধীনতাৰ ৮০ বছৰৰ এই দীঘলীয়া যাত্ৰা সেয়ে কেৱল নাৰীৰ উন্নয়নৰ কাহিনী নহয়, ই এখন সমাজৰ পৰিৱৰ্তনৰো জীৱন্ত প্ৰতিচ্ছবি।

স্বাধীনতা আন্দোলনৰ সময়তেই ভাৰতীয় নাৰীয়ে নিজৰ শক্তি আৰু সাহসৰ পৰিচয় দিছিল। মহাত্মা গান্ধীৰ নেতৃত্বত চলা অসহযোগ আন্দোলন, আইন অমান্য আন্দোলন আৰু ভাৰত ত্যাগ আন্দোলনত বহু নাৰীয়ে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল। সৰোজিনী নাইডু, কস্তুৰবা গান্ধী, অৰুনা আছফ আলী, উষা মেহতা, বিজয়লক্ষ্মী পণ্ডিত আদি বহু নাৰীয়ে স্বাধীনতা সংগ্ৰামত উল্লেখযোগ্য ভূমিকা পালন কৰিছিল। অসমৰ ক্ষেত্ৰতো কনকলতা বৰুৱা, চন্দ্ৰপ্ৰভা শইকীয়া আদি সাহসী নাৰীয়ে দেশৰ স্বাধীনতাৰ বাবে নিজৰ জীৱন উছৰ্গা কৰিছিল। তেওঁলোকৰ ত্যাগে প্ৰমাণ কৰিছিল যে দেশৰ স্বাধীনতাৰ সংগ্ৰামত নাৰী কোনোপধ্যে পুৰুষতকৈ পিছপৰা নাছিল।

স্বাধীনতাৰ পিছত ভাৰতীয় সংবিধানে নাৰীক সমান অধিকাৰ প্ৰদান কৰিলে। ধৰ্ম, জাতি, লিংগ বা জন্মস্থানৰ ভিত্তিত বৈষম্য নকৰাৰ নীতি গ্ৰহণ কৰা হ'ল। ভোটাধিকাৰ, শিক্ষা লাভৰ অধিকাৰ, কৰ্মসংস্থাপনৰ সুযোগ আৰু ৰাজহুৱা জীৱনত অংশগ্ৰহণৰ অধিকাৰে নাৰীৰ আগবাঢ়ি যোৱাৰ পথ মুকলি কৰিলে। অৱশ্যে সংবিধানে অধিকাৰ প্ৰদান কৰিলেই সমাজৰ মানসিকতা এদিনতে সলনি হোৱা নাছিল। নাৰীয়ে বহুদিন ধৰি চলি অহা কুসংস্কাৰ, বাল্যবিবাহ, শিক্ষাৰ অভাৱ, পিতৃতান্ত্ৰিক মানসিকতা আৰু সামাজিক বৈষম্যৰ বিৰুদ্ধে দীঘলীয়া সংগ্ৰাম কৰিবলগীয়া হৈছিল।

শিক্ষাৰ ক্ষেত্ৰত স্বাধীনতাৰ পিছৰ ৮০ বছৰত ভাৰতীয় নাৰীৰ যাত্ৰা বিশেষভাৱে উল্লেখযোগ্য। এসময়ত ছোৱালীৰ শিক্ষা অপ্ৰয়োজনীয় বুলি ভবা সমাজত আজি লাখ লাখ ছোৱালীয়ে বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত অধ্যয়ন কৰি নিজৰ ভৱিষ্যৎ গঢ়ি তুলিছে। চিকিৎসা, অভিযান্ত্ৰিক, আইন, শিক্ষা, গৱেষণা, তথ্য-প্ৰযুক্তি আৰু আন বহু ক্ষেত্ৰত নাৰীয়ে নিজৰ স্থান দখল কৰিছে। এগৰাকী ছোৱালীৰ হাতত এখন কিতাপ মানে কেৱল এজন ব্যক্তিৰ জ্ঞান বৃদ্ধি নহয়; ই এটা পৰিয়াল, এটা সমাজ আৰু এটা প্ৰজন্মৰ চিন্তাধাৰা সলনি কৰাৰ শক্তি।

ৰাজনীতি আৰু প্ৰশাসনৰ ক্ষেত্ৰতো ভাৰতীয় নাৰীয়ে এক দীঘলীয়া পথ অতিক্ৰম কৰিছে। ভাৰতৰ প্ৰথম মহিলা প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ পৰা আৰম্ভ কৰি দেশৰ বিভিন্ন ৰাজ্যৰ মহিলা মুখ্যমন্ত্ৰী, মন্ত্ৰী, সাংসদ আৰু বিধায়কলৈকে নাৰীয়ে ৰাজনৈতিক নেতৃত্বৰ পৰিচয় দিছে। ভাৰতৰ ৰাষ্ট্ৰপতি পদতো নাৰীয়ে অধিষ্ঠিত হৈছে। স্থানীয় স্বায়ত্তশাসিত অনুষ্ঠান-সমূহত মহিলাৰ বাবে সংৰক্ষণৰ ব্যৱস্থাই গাঁও আৰু নগৰৰ বহু নাৰীক নেতৃত্বৰ সুযোগ প্ৰদান কৰিছে। ইয়াৰ ফলত বহু নাৰী আজি নিজৰ পৰিয়ালৰ সমস্যাৰ লগতে সমাজৰ শিক্ষা, স্বাস্থ্য, পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু উন্নয়নৰ বিষয়তো সিদ্ধান্ত গ্ৰহণত অংশগ্ৰহণ কৰিছে।

বিজ্ঞান আৰু প্ৰযুক্তিৰ জগতখনতো ভাৰতীয় নাৰীৰ অৱদান অসামান্য। মহাকাশ গৱেষণা, চিকিৎসা বিজ্ঞান, পৰমাণু বিজ্ঞান, তথ্য-প্ৰযুক্তি আৰু গৱেষণাৰ বিভিন্ন ক্ষেত্ৰত ভাৰতীয় নাৰীয়ে বিশ্বৰ সন্মুখত নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰিছে। ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ বিভিন্ন অভিযানত মহিলা বিজ্ঞানী আৰু অভিযন্তাসকলৰ অৱদান দেশবাসীৰ বাবে গৌৰৱৰ বিষয়। তেওঁলোকৰ সফলতাই প্ৰমাণ কৰে যে সুযোগ আৰু পৰিৱেশ লাভ কৰিলে নাৰীয়ে যিকোনো কঠিন ক্ষেত্ৰতো সফলতা অৰ্জন কৰিব পাৰে।

ক্ৰীড়াক্ষেত্ৰতো ভাৰতীয় নাৰীৰ উত্থান এক অনুপ্ৰেৰণাদায়ক কাহিনী। পি. টি. উষা, মেৰী কম, চাইনা নেহৱাল, পি. ভি. সিন্ধু, সাক্ষী মালিক, মিতালী ৰাজ, হৰমনপ্ৰীত কৌৰ, মনু ভাকৰ আদি বহু ক্ৰীড়াবিদে ভাৰতৰ নাম বিশ্বৰ ক্ৰীড়া মঞ্চত উজলাই তুলিছে। তেওঁলোকৰ সফলতাৰ আঁৰত আছে কঠোৰ পৰিশ্ৰম, আত্মবিশ্বাস আৰু অসীম ধৈৰ্য। আজিৰ দিনত ভাৰতৰ বহু ছোৱালীয়ে ক্ৰীড়াক কেৱল বিনোদন হিচাপে নহয়, নিজৰ কেৰিয়াৰ হিচাপেও গ্ৰহণ কৰিবলৈ আগবাঢ়িছে।

সাহিত্য, সংগীত, চলচ্চিত্ৰ আৰু কলাৰ ক্ষেত্ৰতো ভাৰতীয় নাৰীয়ে এক শক্তিশালী অৱস্থান সৃষ্টি কৰিছে। সাহিত্যৰ জগতত নাৰী লেখিকাসকলে সমাজ, নাৰী জীৱন, বৈষম্য, প্ৰেম, স্বাধীনতা আৰু মানৱীয় অনুভূতিক নতুন দৃষ্টিভংগীৰে উপস্থাপন কৰিছে। সংগীত আৰু চলচ্চিত্ৰৰ ক্ষেত্ৰতো নাৰীয়ে গায়িকা, অভিনেত্ৰী, পৰিচালক, লেখিকা আৰু প্ৰযোজক হিচাপে নিজৰ প্ৰতিভা প্ৰকাশ কৰিছে। তেওঁলোকৰ সৃষ্টিয়ে কেৱল মনোৰঞ্জনেই দিয়া নাই, সমাজৰ বহু গুৰুত্বপূৰ্ণ বিষয়কো মানুহৰ সন্মুখলৈ আনিছে।


কৰ্মক্ষেত্ৰত নাৰীৰ অংশগ্ৰহণো স্বাধীনতাৰ পিছত যথেষ্ট বৃদ্ধি পাইছে। চৰকাৰী চাকৰি, বেংক, বিদ্যালয়, চিকিৎসালয়, উদ্যোগ, সংবাদ মাধ্যম, তথ্য-প্ৰযুক্তি, ব্যৱসায় আৰু বিভিন্ন পেছাত নাৰীয়ে সফলতাৰে কাম কৰি আছে। বহু নাৰীয়ে নিজাকৈ ব্যৱসায় আৰম্ভ কৰি স্বাৱলম্বী হৈছে। গাঁও অঞ্চলৰ আত্মসহায়ক গোটৰ পৰা আৰম্ভ কৰি বৃহৎ উদ্যোগলৈকে নাৰীৰ অৰ্থনৈতিক অংশগ্ৰহণে দেশৰ অৰ্থনীতিতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

অৱশ্যে স্বাধীনতাৰ ৮০ বছৰ সম্পূৰ্ণ হ'লেও নাৰীৰ যাত্ৰা এতিয়াও সম্পূৰ্ণ হোৱা নাই। আজিও বহু নাৰী শিক্ষাৰ পৰা বঞ্চিত, বহু ছোৱালীয়ে সামাজিক বাধাৰ সন্মুখীন হয়, বহু নাৰীয়ে কৰ্মক্ষেত্ৰত বৈষম্যৰ অভিজ্ঞতা লাভ কৰে। নাৰীৰ সুৰক্ষা, সমান সুযোগ, সমান মৰ্যাদা আৰু অৰ্থনৈতিক স্বাধীনতা নিশ্চিত কৰাটো এতিয়াও এক ডাঙৰ প্ৰত্যাহ্বান। কিছুমান ঠাইত বাল্যবিবাহ, যৌতুক, ঘৰুৱা হিংসা আৰু নাৰী নিৰ্যাতনৰ দৰে সমস্যাই সমাজক ব্যথিত কৰি আছে। সেয়েহে নাৰীৰ উন্নয়ন কেৱল আইন প্ৰণয়নৰ মাজতে সীমাবদ্ধ নাথাকি সমাজৰ মানসিকতাৰ পৰিৱৰ্তনৰ লগতো জড়িত হ'ব লাগিব।

নাৰী সবলীকৰণ মানে পুৰুষৰ বিৰুদ্ধে নাৰীক থিয় কৰোৱা নহয়। নাৰী সবলীকৰণ মানে নাৰী আৰু পুৰুষে সমান মৰ্যাদা, সমান সুযোগ আৰু পাৰস্পৰিক সন্মানেৰে এখন উন্নত সমাজ গঢ়ি তোলা। এখন দেশ তেতিয়াহে প্ৰকৃত অৰ্থত উন্নত হ'ব পাৰে, যেতিয়া সেই দেশৰ নাৰীসকল নিৰাপদ, শিক্ষিত, স্বাৱলম্বী আৰু সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত স্বাধীন হ'ব।

আগলৈ...

# যন্ত্ৰণা



মেৰী বৰদলৈ,নগাঁও, ফুলগুৰি

মই কোন
তোমাৰ বাবে
আজিও নাজানিলোঁ জানা,
বুজি পাওঁ
তোমাৰ ভাগৰুৱা
বিষণ্ণ সময়ৰ বেথা,
বুজি পাওঁ
খিলখিল হাঁহিৰ আঁৰত
লুকাই থকা
বিষাদৰ মছলা টেমাটোৰ কথা,
দেখা পাওঁ
অনবৰতে চটফটাই থকা
দুটি ওঁঠত
মৌন শব্দৰ ভূগোল পৃষ্ঠা,
দেখা পাওঁ
দুচকুৰ পটাত
ঢাকনী দি ৰখা
এথোপি নীৰৱ বিষাদ,
সেয়ে কওঁ
নাজানো মই কোন
তোমাৰ বাবে
মই মাথোঁ তোমাক
অনুভৱ কৰোঁ
প্ৰতিপল জানা...
তুমি জানো মোক
চিনি পাবা
কেতিয়াবা!!

# নিজৰ টকাৰে বান

এই কাৰ্যই অসমৰ বদনাম আনিব। মই এটাই অনুৰোধ কৰিম ৰাইজক যে বান সাহায্য দিয়ক, কিন্তু নিজৰ ধনৰ পৰা দিয়ক। কিন্তু বেলেগৰ পৰা ধন তুলি সাহায্য দিলে মই নাভাবোঁ যে সেয়া বান সাহায্য হৈছে। চৰাইদেউ, শিৱসাগৰৰ ৰাইজেও এই কাৰ্যক ভাল নাপাব। মুখ্যমন্ত্ৰীয়ে ইয়াকো স্পষ্ট কৰে যে লণ্ডন-আমেৰিকাত গৈ হাত পতাৰো প্ৰয়োজন নাই। কোনোবাই যদি অসমৰ বান দেখি দান কৰে, তেন্তে তাত আমাৰ আপত্তি নাই। কিন্তু খুজিব নালাগে। বাটে-পথে ধন তোলা কাৰ্য বন্ধ কৰাৰ বাবে আহ্বান জনোৱা হৈছে। গতিকে ইয়াত ব্যৱস্থা লোৱাৰ কথা নাহে। ৰাইজে সমৰ্থন কৰা মুখ্যমন্ত্ৰী এজনে আহ্বান জনাইছে। গতিকে ই আপোনা-আপুনি বন্ধ হৈ যাব। ইফালে শিৱসাগৰ, চৰাইদেউ জিলাত ৰাজ্য চৰকাৰে বানপীড়িতলৈ আগবঢ়োৱা ১৫ হাজাৰ টকা প্ৰকৃত বানপীড়িতই লাভ নকৰাৰ অভিযোগ সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- বানপীড়িতৰ বাবে ১৫ হাজাৰ টকাৰ যি সাহায্য আগবঢ়োৱা হৈছিল, ৰাইজে অভিযোগ কৰিছে যে বানে আক্ৰান্ত নকৰা ব্যক্তিয়েও এই ধন লাভ কৰিছে আৰু বানে আক্ৰান্ত কৰা ব্যক্তিয়েও এই ধন লাভ কৰা নাই। মই ৰাইজক এটাই অনুৰোধ কৰিম যে চৰকাৰৰ পুঁজি যাতে বন্যাৰ্ত ৰাইজৰ মাজলৈহে যায়, সেইবাবে বানে আক্ৰান্ত নকৰা পৰিয়ালসমূহেও আমাক সহায় কৰিব লাগে। ভুলতো যদি বানে আক্ৰান্ত নকৰা পৰিয়ালে সাহায্যৰ ধন লাভ কৰিছে, তেওঁলোকে ক'ব লাগে যে মই বানত আক্ৰান্ত নহয়, এই পুঁজি মোৰ প্ৰতিৱেশীজনক দিয়ক। তেওঁৰ ক্ষতি বেছি হৈছে। অভিযোগ বিভিন্ন দিশৰ পৰা আহিছে। যিহেতু আমি আধাৰ নম্বৰ, ৰেচন কাৰ্ড লোৱা নাই, গতিকে এই খেলিমেলিসমূহ কিছু থাকিবই। কিন্তু চৰাইদেউ আৰু শিৱসাগৰ জিলাৰ ৰাইজে নিজে যদি আমাক সহায় কৰে, তেন্তে খেলিমেলিবোৰ নাথাকিব।

# ৬ষ্ঠ সদৌ অসম

প্ৰতিযোগিতাখনত অঞ্চলটোৰ আন তিনিগৰাকী খেলুৱৈয়েও প্ৰশিক্ষকগৰাকীৰ সঠিক মাৰ্গদৰ্শনেৰে উন্নত প্ৰদৰ্শন কৰিবলৈ সক্ষম হয়। ১৪ বছৰ অনুৰ্দ্ধৰ ৪৫ কেজি শাখাত কিঞ্জল জ্যোতি কলিতাই সোণৰ পদক আৰু ১০ বছৰ অনুৰ্দ্ধৰ মহিলা ৩০ কেজি শাখাত স্বস্তিকা কলিতাই স্বৰ্ণ পদক বুটলি ৰাজ্যিক চেম্পিয়ন খিতাপ দখল কৰে। আনহাতে, ১০ বছৰ অনুৰ্দ্ধৰ মহিলা ২৫ কেজিৰ তলৰ শাখাত শৰ্মিষ্ঠা কলিতাই ৰূপৰ পদক লাভ কৰে। এই সফল প্ৰদৰ্শনৰ জৰিয়তে প্ৰশিক্ষক ভাস্কৰজ্যোতি সাউদৰ পৰিচালনাত মিঠু দাসকে ধৰি চাৰিওগৰাকী পদক বিজয়ী খেলুৱৈয়ে কেৰেলাত অনুষ্ঠিত হ'বলগীয়া আগন্তুক ৰাষ্ট্ৰীয় কলাৰিপায়াত্তু চেম্পিয়নশ্বিপত অসমক প্ৰতিনিধিত্ব কৰিবলৈ যোগ্যতা অৰ্জন কৰিছে। ক্ৰীড়াবিদসকলৰ লগতে প্ৰশিক্ষকগৰাকীৰ এই সফলতাত দক্ষিণ কামৰূপৰ ক্ৰীড়াপ্ৰেমী ৰাইজে আনন্দ প্ৰকাশ কৰাৰ লগতে তেওঁলোকৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ যাত্ৰাৰ বাবে শুভকামনা জনাইছে।

# প্ৰলয়ংকাৰী বানৰ

'মনোমোহা গহপুৰ ৰূপে-গুণে ভৰপুৰ', মৌচুমী নেওগৰ 'প্ৰতীতি', মৌচুমী বৰঠাকুৰৰ 'জোন আৰু জিলমিলৰ তেজপুৰ দৰ্শন', ৰাজুৰাণী শইকীয়াৰ 'পোহৰবে চাকিগছি আমি জ্বলামেই এদিন জ্বলাম', ৰীতা কোঁৱৰৰ 'জুন্বা', সংগীতা পাৰে মৰাঙৰ 'বঢ়াৰ পো'ৰ দেশত জিকমিকৰ এদিন' আৰু শান্তনা চেলেঙৰ 'ৰূপালী দেশৰ সোণালী কথা'। উক্ত উপন্যাস কেইখন নীৰজ, ঋত আৰাহন, ভাস্কৰ, ডিম্পল, নয়নমণি, ময়ূখ আদি স্থানীয় শিশু-কিশোৰসকলে প্ৰতীকীভাৱে উন্মোচন কৰে। উল্লেখ্য যে, ২৫ জুলাইত ডিব্ৰুগড়ত এই গ্ৰন্থসমূহৰ উন্মোচনী সভা অনুষ্ঠিত হোৱাৰ কথা আছিল। কিন্তু ভয়াবহ বান পৰিস্থিতিৰ বাবে অনুষ্ঠানটো বাতিল কৰা হয়। ইয়াৰ পৰিৱৰ্তে আয়োজক সকলে অনাড়ম্বৰ আৰু প্ৰতীকী উন্মোচনৰ সিদ্ধান্ত গ্ৰহণ কৰে। অনুষ্ঠানত উপস্থিত থাকিব নোৱাৰিলেও অসমৰ বিভিন্ন প্ৰান্তৰ শিশু সাহিত্যিক সকলে ৰাজ্যখনৰ একাংশ লেখকৰ দ্বাৰা গঠিত "যাত্ৰা" হোৱাটছএপ গোটৰ জৰিয়তে বানপীড়িতসকলৰ বাবে ১০ হাজাৰ টকাৰ অনুদান আগবঢ়ায়। সাহিত্যচৰ্চাৰ সমান্তৰালভাৱে সামাজিক দায়বদ্ধতাৰ এই নিৰ্দশনে বহুতৰে দৃষ্টি আকৰ্ষণ কৰে। দয়-কাও-ৰং একাডেমীৰ সঞ্চালক টুনুজ্যোতি গগৈয়ে কয় যে প্ৰাকৃতিক বা সামাজিক সংকটৰ সময়ত সাহিত্যিক সকলৰ ভূমিকা কেৱল সৃষ্টিশীলতাৰ মাজতে আবদ্ধ হৈ নাথাকে; আৰ্তজনৰ কাষত থিয় হোৱাটোও তেওঁলোকৰ এক নৈতিক দায়িত্ব । তেওঁ লগতে কয় যে এই ১৪খন শিশু-উপন্যাস একাডেমিৰ উদ্যোগত আয়োজিত শিশু-সাহিত্য কৰ্মশালাৰ ফচল। অনুষ্ঠানত দয়-কাও-ৰং পথ-পুথিভঁৰালৰ নিয়মীয়া পাঠক-পাঠিকাৰ লগতে মোহনাঘাট অঞ্চলৰ বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

# জে পি নাড্ডাৰ সৈতে বান পৰিস্থিতিৰ

পৰ্যালোচনা কৰা হয়। বৈঠকৰ আৰম্ভণিতে অসম চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব এল এছ ছাংচনে পাৱাৰ পইন্ট প্ৰেজেন্টেচনযোগে চলিত বাৰিষাত অসমত বানৰ কবলত পৰা জিলা, বানত প্ৰভাৱিত আৰু মৃত্যু হোৱা লোকৰ সংখ্যা আৰু পোহনীয়া জীৱ-জন্তুৰ সংখ্যা, প্লাৱিত হোৱা কৃষিভূমিৰ পৰিমাণ, বন্যাক্ৰান্ত লোকৰ উদ্ধাৰ আৰু তেওঁলোকক সাহায্য প্ৰদানৰ বাবে গ্ৰহণ কৰা ব্যৱস্থা, ৰাজ্যপাল আৰু মুখ্যমন্ত্ৰীকে ধৰি ৰাজ্য চৰকাৰৰ মন্ত্ৰী, উচ্চপদস্থ বিষয়াবৰ্গই কৰা বান পৰিস্থিতিৰ তদাৰক আৰু পৰ্যালোচনা সন্দৰ্ভত বিস্তৃত ব্যাখ্যা আগবঢ়ায়। বৈঠকত মুখ্যমন্ত্ৰী ড° শৰ্মাই উজনি অসমত শেহতীয়াকৈ হোৱা প্ৰলয়ংকৰী বান আৰু ইয়াৰ ফলত হোৱা ধন-জনৰ ক্ষতি ব্যাপক আছিল বুলি মন্তব্য কৰি ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি নিধি শ্চএনডিআৰএফগ্বৰ নীতি কিছু শিথিল কৰি অধিকসংখ্যক লোক যাতে উপকৃত হয় তাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ বৈঠকত উপস্থিত থকা কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাক আহ্বান জনায়। তেওঁ কয় যে চাৰিওখন জিলাত শেহতীয়া বানত হোৱা স্থায়ী ক্ষতিৰ বিষয়ে জৰীপ কৰিবলৈ বিষয়া-কৰ্মচাৰীসকলক অহা ৭আৰু ৮ আগষ্টত প্ৰশিক্ষণ দিয়া হ'ব আৰু ৯ আগষ্টৰ পৰা জৰীপকাৰ্য আৰম্ভ হ'ব। বান পৰিস্থিতি সন্দৰ্ভত প্ৰথম দিনাৰ পৰাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বান পৰিস্থিতিৰ বুজ লৈ আছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও বান পৰিস্থিতি, উদ্ধাৰ অভিযান আৰু সাহায্য প্ৰদান সন্দৰ্ভত ৰাজ্য চৰকাৰৰ সৈতে সঘনে যোগাযোগ কৰি আছে। অসমৰ সংকটকালত কেন্দ্ৰীয় চৰকাৰে দেখুওৱা এনে আন্তৰিকতাৰ বাবে মুখ্যমন্ত্ৰীয়ে ধন্যবাদ জ্ঞাপন কৰে। অক্টোবৰৰ মাজভাগ পৰ্যন্ত অসমত বানৰ শংকা থাকে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই জিলা আয়ুক্তসকলক যিকোনো পৰিস্থিতিৰ বাবে সাজু থাকিবলৈ বৈঠকত পৰামৰ্শ দিয়ে। আনহাতে, বৈঠকত দিয়া বক্তব্যত কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই কয় যে মুখ্যমন্ত্ৰীয়ে ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি নিধিৰ নীতি শিথিল কৰা সন্দৰ্ভত দিয়া প্ৰস্তাৱ তেওঁ প্ৰধানমন্ত্ৰী আৰু কেন্দ্ৰীয় বিত্তমন্ত্ৰীক অৱগত কৰিব। ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি নিধিৰ নীতি শিথিল কৰা সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰে গুৰুত্বসহকাৰে বিবেচনা কৰিব বুলি মন্তব্য কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে অসমৰ সংকটকালত কেন্দ্ৰীয় চৰকাৰে সৰ্বতোপ্ৰকাৰে সহায় আগবঢ়াব। তেওঁ উজনি অসমত হোৱা বানৰ সময়ত উদ্ধাৰ অভিযান আৰু সাহায্য প্ৰদানত অসম চৰকাৰে প্ৰদৰ্শন কৰা ক্ষিপ্ৰতা আৰু তৎপৰতাৰ শলাগ লয়। পৰ্যালোচনা বৈঠকত মন্ত্ৰী কেশৱ মহন্ত, অশোক সিংহল, বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব তৰংগ গগৈৰ উপৰি জলসম্পদ বিভাগৰ বিশেষ মুখ্য সচিব ছৈয়দ্দিন আব্বাচীৰ লগতে লোকনিৰ্মাণ, জনস্বাস্থ্য কাৰিকৰী, জলসিঞ্চন, জলসম্পদ আদি বিভাগৰ উচ্চপদস্থ বিষয়া-অভিযন্তাসকল উপস্থিত থাকে। তদুপৰি শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাৰ জিলা আয়ুক্ত আৰু আন বিষয়াসকল ভিডিঅ' কনফাৰেঞ্চযোগে এই বৈঠকত উপস্থিত থাকে।

# মুখ্যমন্ত্ৰী ড° শৰ্মাৰ সৈতে

সাহাৰ্য আৰু উদ্ধাৰৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ তৰফৰপৰা সকলো ধৰণৰ ব্যৱস্থা লোৱা হ'ব। কেন্দ্ৰীয় চৰকাৰ অসমৰ ৰাইজৰ লগত আছে। কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই লগতে কয়, মই ইয়াত সকলো পৰিস্থিতিৰ বিষয়ে হিমন্ত বিশ্ব শৰ্মাৰ সৈতে আলোচনা কৰিছোঁ। গধূলি বহি আগলৈ কেনেদৰে পৰিকল্পনা কৰা হৈছে, তাৰ বিষয়ে আলোচনা কৰিম। মই ইয়াকে ক'ব বিচাৰোঁ যে মুখ্যমন্ত্ৰীৰ সাহায্যৰ কামসমূহ যি দিশৰ পৰা আৱশ্যক তাৰ বাবে বহুত তৎপৰতাৰে আৰু এক্টিভ হৈ সময়লৈ লক্ষ্য ৰাখি অতি ক্ষিপ্ৰতাৰে ইয়াত সাহায্য পঠিওৱাৰ ব্যৱস্থা কৰিছে। আৰু সাহায্যৰ কাম অতি ক্ষিপ্ৰতাৰে চলি আছে বুলি কৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে কয়, ক্ষয়-ক্ষতি ইমান বেছি হৈছে যে এয়া স্বাভাৱিক কৰাত কিছু সময় লাগিব। তথাপি মই আপোনালোকক প্ৰধানমন্ত্ৰী মোদীৰ ফালৰ পৰা এই বিশ্বাস দিব বিচাৰোঁ যে ভাৰত চৰকাৰৰ ফালৰ পৰা কোনোধৰণৰ অভাৱ নাথাকিব। লাগিলে সেয়া আৰ্থিক সহায়ৰ কথা হওক, সংস্থাপনৰ কথা হওক, ক্ষতিপূৰণৰ কথা হওক বা গৰু-ম'হ আদিৰ যি লোকচান হৈছে তাৰ ক্ষতিপূৰণেই হওক সকলো কথা সম্পূৰ্ণৰূপে আপোনালোকৰ ওচৰ পাবহি বুলিও কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই উল্লেখ কৰে। 'আৰু মই পুনৰ ক'ম যে এই দুখৰ সময়ত আমি সকলো আপোনালোকৰ ওচৰত থিয় হৈ আছোঁ। হিমন্ত দাই সকলো কথা চিন্তা কৰি আছে আৰু কৰিব। আৰ্থিক দৃষ্টিৰ পৰা ৰাজ্য চৰকাৰেও নিজৰ সম্পদ নিয়োজিত কৰিছে, কিন্তু কেন্দ্ৰৰ ফালৰ পৰাও কোনো অভাৱ হ'বলৈ দিয়া নহ'ব, এই কথাত মই আপোনালোকক বিশ্বাস দিব পাৰোঁ' বুলিও কয় কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে। ইফালে, কেন্দ্ৰীয় মন্ত্ৰীৰ সহিতে বান অধ্যুষিত অঞ্চলটো পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়, আজি আমাৰ কেন্দ্ৰীয় মন্ত্ৰী নাড্ডাই এই গোটেই অঞ্চলটো নিজ চকুৰে চাইছে। প্ৰধানমন্ত্ৰীয়ে তেখেতক পঠিয়াইছে আৰু তেখেতে নিজ চকুৰে বন্যাক্ৰান্ত ৰাইজৰ দুৰ্দশা দেখিছে। আৰু মই নিশ্চিত যে তেখেতে প্ৰধানমন্ত্ৰীক গোটেই কথাখিনি ক'ব আৰু আমি এই দুৰ্ভগীয়া ৰাইজক সহায় কৰিব পাৰিম। ইয়াৰ পিছতে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বাহিৰে বাহিৰে নাগালেণ্ডৰ মনলৈ যাত্ৰা কৰে আৰু অসম চৰকাৰৰ মুখ্যমন্ত্ৰীসহ মন্ত্ৰী-বিধায়কৰ দলটো নাজিৰাৰ বামুণপুখুৰীৰ বানাক্ৰান্ত অঞ্চলৰ ৰাইজৰ সমস্যাৰ বুজ ল'বলৈ ৰাওনা হয়।

# ৰিদীপৰ দুৰ্ভগীয়া পৰিয়ালৰ

দুৰ্ভগীয়া শোকাকুল পৰিয়ালটোৰ ঘৰলৈ গৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে কিছু সময় কটাই একপ্ৰকাৰ আৱেগিক হৈ পৰা দেখা গ'ল। মুখ্যমন্ত্ৰীয়েও বৰুণক কোলাত তুলি আলফুলে যাচিলে মৰম। সামাজিক মাধ্যমত মুখ্যমন্ত্ৰীয়ে লিখিলে- নাজিৰাৰ শিশুটিৰ মৰমৰ কুকুৰটোক কোলাত তুলি লোৱা মুহূৰ্তটোত মনটো সঁচাকৈ ভাৰাক্ৰান্ত হৈ পৰিল। বানৰ সোঁতত নিজৰ বিপদক আওকাণ কৰি প্ৰাণৰ তাড়নাত কক্কাই থকা মৰমৰ পোহনীয়া কুকুৰটোৰ জীৱন ৰক্ষা কৰি প্ৰাণ হেৰুৱালে বামুণপুখুৰীৰ সপ্তম শ্ৰেণীৰ ছাত্ৰ ৰিদীপ পানিকাই। আজি এই ছাত্ৰজনৰ বাসগৃহত উপস্থিত হৈ হৃদয় ভাগি পৰিল। এটি কণমানিৰ জীৱৰ প্ৰতি ৰিদীপৰ সেই অকৃত্ৰিম মৰম আৰু ত্যাগে আমাক গভীৰভাৱে স্পৰ্শ কৰি আছে। আজি শোকসন্তপ্ত পিতৃ-মাতৃৰ সৈতে কিছু সময় অতিবাহিত কৰি তেওঁলোকৰ হাতত ৫ লাখ টকাৰ আৰ্থিক সাহায্য আগবঢ়ালোঁ। ৰিদীপৰ দৰে এটি নিষ্পাক শিশুৰ জীৱন হেৰাই যোৱাৰ দুখ কোনো সহায়ে পূৰণ কৰিব নোৱাৰে। তথাপি এই কঠিন সময়ত পৰিয়ালৰ কাষত অসম চৰকাৰ সদায় থাকিব। ৰিদীপৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰিলোঁ। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সংগ দিয়ে নাজিৰাৰ বিধায়ক ময়ূৰ বৰগোহাঁয়ে।

# নিযুত মইনা-নিযুত বাবু আঁচনিৰ

শিক্ষাৰ্থীয়ে অন্ধকাৰৰ বাটত নহয়, খোজ দিব লাগিব আলোকৰ বাটতহে। শিক্ষাৰ লগত আমি নিজকে জড়িত কৰি ৰাখিব লাগিব। আন পথেৰে আমি আগনাবাঢ়ো। শিক্ষাৰ বাহিৰে যি পথেৰেই আমি আগনাবাঢ়ো কিয়, তাত অন্ধকাৰ আছে। যদি শিক্ষাৰ পথেৰে যাওঁ, তেন্তে সন্মুখত আমি আলোকৰ বাট দেখিবলৈ পাম। সেইবাবে আমি পোহৰসন্ধানী হ'ব লাগিব। নিযুত মইনা আৰু নিযুত বাবু আঁচনি দুখনৰ প্ৰসংগত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- ৰাজ্যৰ ১০ লাখ অৰ্থাৎ ১ নিযুত ছাত্ৰীক সামৰি লোৱাৰ লক্ষ্যৰে নিযুত মইনা আঁচনিখন আৰম্ভ কৰা হৈছিল। ২০২৪-২৫ বৰ্ষত ১.৬০ লাখ ছাত্ৰীয়ে আঁচনিখনৰ সুবিধা লাভ কৰিছিল। ২০২৫-২৬ বৰ্ষত আঁচনিখনৰ পৰিসৰ বৃদ্ধি কৰাত নিযুত মইনা আঁচনিৰ সুবিধা পোৱা ছাত্ৰীৰ সংখ্যা ৪ লাখলৈ বৃদ্ধি হয়। চলিত বিত্তীয় বৰ্ষত এই আঁচনিৰ অধীনত অতিৰিক্ত ১ লাখ ছাত্ৰী অন্তৰ্ভুক্ত হোৱাৰ আশা কৰা হৈছে। আনহাতে নিযুত বাবু আঁচনিখনে যোৱা বৰ্ষত ৫০ হাজাৰ ছাত্ৰক সামৰি লৈছিল আৰু এই বাৰ অতিৰিক্ত ৭০ হাজাৰ ছাত্ৰ অন্তৰ্ভুক্ত হ'ব। অৰ্থাৎ ১.২০ লাখ ছাত্ৰই চলিত বৰ্ষত আঁচনিখনৰ সুবিধা লাভ কৰিব। এই আঁচনিৰ জৰিয়তে একাদশ, দ্বাদশ শ্ৰেণীৰ ছাত্ৰীয়ে মাহেকত ৮০০ টকাকৈ লাভ কৰিব। আনহাতে স্নাতক বৰ্ষৰ ছাত্ৰীয়ে প্ৰতিমাহে ১, ২৫০ টকাকৈ, স্নাতকোত্তৰ ছাত্ৰীসকলে প্ৰতিমাহে পাব ২, ৫০০ টকাকৈ। নিযুত বাবু আঁচনিৰ অধীনত স্নাতক পাঠ্যক্ৰমৰ ছাত্ৰই প্ৰতিমাহে ১, ০০০ টকাকৈ আৰু স্নাতকোত্তৰ পাঠ্যক্ৰমৰ ছাত্ৰই প্ৰতিমাহে লাভ কৰিব ২, ০০০ টকাকৈ। মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে যে পলিটেকনিকত অধ্যয়নৰত, সংহত স্নাতকোত্তৰ পাঠ্যক্ৰমৰ সপ্তম ষাণ্মাসিকত পঢ়ি থকা ছাত্ৰীয়েও এই বাৰ নিযুত মইনা আঁচনিৰ ধন লাভ কৰিব। নিযুত মইনা আঁচনিতকৈ নিযুত বাবু আঁচনিৰ ধন কম হোৱা প্ৰসংগত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- বাল্যবিবাহ ৰোধ কৰাৰ লক্ষ্যৰে নিযুত মইনা আঁচনিখন গ্ৰহণ কৰা হৈছিল। কন্যা সন্তানৰ পঢ়াৰ খৰচ জোগাৰ কৰিব নোৱাৰি কোনো পিতৃ-মাতৃয়ে যাতে কম বয়সতে বিয়া নিদিয়ে তাক নিশ্চিত কৰিবলৈ চৰকাৰে ছাত্ৰীৰ পঢ়াৰ খৰচ বহনৰ সিদ্ধান্ত লৈছিল। ছাত্ৰসকলৰ ক্ষেত্ৰত যিহেতু বাল্যবিবাহৰ কথা নাহে সেয়ে তেওঁলোকৰ বাবে মৰমতহে নিযুত বাবু আঁচনিখন লোৱা হৈছে। শ্ৰেণীকোঠাত নিয়মীয়াকৈ উপস্থিত থকা, পঢ়া-শুনাৰ প্ৰতি আগ্ৰহী, বাধ্য আৰু ভাল শিক্ষাৰ্থীহে আঁচনি দুখনৰ সুবিধা পোৱাৰ বাবে যোগ্য। আঁচনি দুখনৰ জৰিয়তে শিক্ষানুষ্ঠানত শিক্ষাৰ্থীসকলৰ মাজত নিয়মানুৱৰ্তিতাক উৎসাহিত কৰিব বিচৰা হৈছে। নিযুত মইনা আঁচনিৰ জৰিয়তে ছাত্ৰীক দিয়া ধনৰ পৰিমাণ ভৱিষ্যতে বৃদ্ধি কৰা হ'ব। অভিভাৱকক সন্তানৰ পঢ়ুওৱাৰ দায়িত্বৰ পৰা চৰকাৰে কিছু সকাহ দিব বিচাৰিছে। মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ৰ পাঠদান চলি থকাৰ সময়তহে আঁচনি দুখনৰ অধীনত শিক্ষাৰ্থীক ধন দিয়া হ'ব। যিসকল শিক্ষাৰ্থীয়ে আগষ্ট মাহত নামভৰ্তি কৰিছে তেওঁলোকে ১০ অক্টোবৰত আগষ্ট আৰু ছেপ্টেম্বৰ মাহৰ ধন লাভ কৰিব। নিয়মীয়াকৈ ধন লাভত যাতে বাধাৰ সৃষ্টি নহয় তাৰ বাবে শিক্ষাৰ্থীসকলক আধাৰৰ সৈতে সংযুক্ত হৈ থকা বেংক একাউণ্ট নম্বৰহে দাখিল কৰিবলৈ আৰু জমা দিয়া বেংক একাউণ্টৰ ই-কেৱাইচি কৰিবলৈও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। এই অনুষ্ঠানত মন্ত্ৰী ডাঃ ৰণোজ পেগু, কেশৱ মহন্ত, বিধায়ক বিজয় কুমাৰ গুপ্তা, দিপ্লুৰঞ্জন শৰ্মা, ড° তপন দাস প্ৰমুখ্যে শিক্ষা বিভাগৰ কেইবাগৰাকী বিষয়া উপস্থিত থাকে। মুখ্যমন্ত্ৰীৰ নিযুত মইনা আৰু মুখ্যমন্ত্ৰীৰ নিযুত বাবু আঁচনিৰ আবেদন-পত্ৰ বিতৰণৰ এই কেন্দ্ৰীয় অনুষ্ঠানটো ৰাজ্যৰ ৪৫২খন শিক্ষানুষ্ঠানত মন্ত্ৰী, বিধায়ক আৰু স্থানীয় বিশিষ্ট ব্যক্তিৰ উপস্থিতিত আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰা শিক্ষাৰ্থীসকলক পোনপটীয়াকৈ দেখুওৱা হয়।

# গুৱাহাটী-তেজপুৰ চাৰিলেনযুক্ত

বুলি আশা ব্যক্ত কৰা হৈছে। লক্ষণীয়ভাবে প্ৰস্তাৱিত প্ৰকল্পটোত ভাৰতীয় বায়ুসেনাৰ সৈতে আলোচনামৰ্মে তেজপুৰৰ বাইপাছত ৪.৯ কিলোমিটাৰ দৈৰ্ঘ্যৰ জৰুৰীকালীন অৱতৰণ সুবিধা (ইএলএফ) নিৰ্মাণৰো পৰিকল্পনা কৰা হৈছে। এই কৰিডৰটোৰ অধীনত মুঠ ৫৮.৭ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৫টা মুখ্য বাইপাছ নিৰ্মাণ কৰা হ'ব, যিয়ে বাইহাটা চাৰিআলি, ছিপাঝাৰ, খাৰুপেটীয়া, ঢেকীয়াজুলি আৰু তেজপুৰৰ দৰে জনবহুল অঞ্চলসমূহত যান-জটৰ সমস্যা হ্ৰাস কৰিব। প্ৰৱেশ নিয়ন্ত্ৰিত ঘাইপথ হোৱাৰ বাবে যান-বাহনৰ সুবিধাজনক যাতায়াত সুনিশ্চত কৰিবলৈ ইয়াত ১৫খন বৃহৎ দলং, ৩০খন সৰু দলং, ১৯খন উৰণ সেতু, ৪৬টা আণ্ডাৰপাছ আৰু ২১০ কিলোমিটাৰ দৈৰ্ঘ্যৰ ছাৰ্ভিচ ৰোড নিৰ্মাণ কৰাৰ উপৰি তেজপুৰ বাইপাছত এটা হাতী অহা-যোৱা কৰিব পৰা আণ্ডাৰপাছ থাকিব। কোৱা হৈছে যে এই কৰিডৰ'ৰ নিৰ্মাণৰ ফলত বাহনৰ গড় গতি প্ৰায় ১০০ শতাংশ বৃদ্ধিপাব আৰু ভ্ৰমণৰ সময় আধা হ'ব। লগতে ই পথ সুৰক্ষা উন্নত কৰিব, ইন্ধনৰ অপচয় ৰোধ কৰিব আৰু বাহন চলোৱাৰ ব্যয় হ্ৰাস কৰি অঞ্চলটোৰ আৰ্থ-সামাজিক উন্নয়নত বিশেষ বৰঙণি যোগাব বুলি বিবৃতিটোত উল্লেখ কৰা হৈছে। প্ৰকল্পটোৱে অসম আৰু অৰুণাচল প্ৰদেশৰ বিভিন্ন গুৰুত্বপূৰ্ণ অৰ্থনৈতিক, সামাজিক আৰু লজিষ্টিক কেন্দ্ৰসমূহক সংযোগ কৰিব। এই উন্নত কৰিডৰ'ৰে পিএম গতিশক্তিৰ ৮টা ঔদ্যোগিক পাৰ্ক, দৰং আৰু ওদালগুৰি জিলাৰ সামাজিক কেন্দ্ৰ, কামাখ্যা মন্দিৰ, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ দৰে ৩টা পৰ্যটন কেন্দ্ৰ, টা প্ৰধান ৰে'ল ষ্টেচন, ২টা বিমানবন্দৰ আৰু ৮টা জলপথ টাৰ্মিনেলসহ ৭টা লজিষ্টিক পইণ্টৰ যোগাযোগ ব্যৱস্থা সুচল কৰি তুলিব বুলিও আশা ব্যক্ত কৰা হৈছে। ইপিনে কেন্দ্ৰীয় কেবিনেটৰ এই সিদ্ধান্তক আদৰণি জনাই ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যম 'এক্স'ৰ জৰিয়তে অসমবাসীৰ হৈ প্ৰধানমন্ত্ৰী মোদী আৰু কেন্দ্ৰীয় কেবিনেটক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। এই সিদ্ধান্তক অসমৰ আন্তঃগাঁথনি বিকাশৰ এক ৰূপান্তৰকাৰী মাইলৰ খুঁটি বুলি অভিহিত কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে ১৩৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই কৰিডৰ'ৰে ভ্ৰমণৰ সময় আধা কৰাৰ লগতে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ যোগাযোগ ব্যৱস্থা আৰু অৰ্থনৈতিক কাৰ্যকলাপত ব্যাপক গতি প্ৰদান কৰিব। ইয়াক এক বৃহৎ দৃশ্যপটৰ অংশ হিচাপে চোৱাটো প্ৰয়োজন। প্ৰধানমন্ত্ৰী মোদীয়ে ধাৰাবাহিকভাবে কাজিৰঙা এলেভেটেড কৰিডৰ', গুৱাহাটী ৰিং ৰোড, শিলচৰ এক্সপ্ৰেছৱে' আৰু গহপুৰ-নুমলীগড় সংযোগী ব্ৰহ্মপুত্ৰৰ তলেৰে নিৰ্মাণ হ'বলগীয়া সুৰংগ আদিকে ধৰি কেইবাটাও কৌশলগত আন্তঃগাঁথনিমূলক প্ৰকল্পৰ মাধ্যমেৰে অসমৰ বিকাশ যাত্ৰাক নেতৃত্ব প্ৰদান কৰি আহিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাৰ মতে, এইবোৰ বিচ্ছিন্ন বিনিয়োগ নহয়, বৰঞ্চ অসমজুৰি বিশ্বমানৰ আন্তঃগাঁথনি গঢ়ি তোলাৰ এক স্পষ্ট ৰাষ্ট্ৰীয় দৃষ্টিভংগীৰ অংশ মাত্ৰ। এই সিদ্ধান্তই পুনৰ প্ৰমাণ কৰিলে যে অসমৰ আন্তঃগাঁথনিৰ ৰূপান্তৰ প্ৰক্ৰিয়া ক্ষিপ্ৰতাৰে আগবাঢ়িছে আৰু ইয়াৰ শ্ৰেষ্ঠ পৰ্যায় এতিয়াও চাবলগীয়া আছে। কেন্দ্ৰীয় কেবিনেটৰ উক্ত গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ পাছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যম এক্স'ত এক বাৰ্তাযোগে কয় যে এই প্ৰকল্পই অসমৰ যোগাযোগ ব্যৱস্থা আৰু সামগ্ৰিক বিকাশত এক বৃহৎ উদ্দীপনা যোগাব। এই প্ৰকল্পটোৱে ভ্ৰমণৰ সময় হ্ৰাস কৰাৰ লগতে পথ সুৰক্ষা উন্নত কৰিব আৰু বিভিন্ন স্থানত মুখ্য বাইপাছসমূহৰ জৰিয়তে যান-জটৰ সমস্যা লাঘৱ কৰিব। ইয়াত তেজপুৰত জৰুৰীকালীন অৱতৰণ সুবিধাৰ লগতে দলং, উৰণ সেতু, আণ্ডাৰপাছ আৰু ছাৰ্ভিচ ৰোডো অন্তৰ্ভুক্ত থাকিব। এই কৰিডৰ'ৰে অসম আৰু অৰুণাচল প্ৰদেশৰ মাজত নিৰৱচ্ছিন্ন যোগাযোগ ব্যৱস্থা শক্তিশালী কৰি তুলিব বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে এক্সযোগে আশা ব্যক্ত কৰে।

# বানত হোৱা ক্ষয়-ক্ষতিৰ

মুখ্যমন্ত্ৰীয়ে ইয়াকো উল্লেখ কৰে যে জৰীপকাৰীসকলে প্ৰতিটো ঘৰৰ ফটোগ্ৰাফ সংগ্ৰহ কৰিব আৰু এটা ডিজিটেল এপ্লিকেচনৰ জৰিয়তে এই জৰীপকাৰ্য সম্পন্ন হ'ব। বন্যাৰ্তসকলৰ স্থায়ী পুনৰ সংস্থাপন কাৰ্যৰ বাবে ৰাজ্য চৰকাৰ বা কেন্দ্ৰীয় চৰকাৰে কৰিবলগীয়া আনুমানিক ব্যয়ৰ এক থূলমূল আভাস ৩০ আগষ্টত লাভকৰিব পৰা যাব। এই সমগ্ৰ ছবিখন পৰিষ্কাৰ হোৱাৰ পাছতে চৰকাৰে ক্ষতিগ্ৰস্ত পৰিয়ালসমূহলৈ প্ৰয়োজনীয় সহায় আগবঢ়োৱাৰ কাম আৰম্ভ কৰিব। এই প্ৰশিক্ষণ অনুষ্ঠানত মন্ত্ৰী কেশৱ মহন্ত, অতুল বৰা, অজন্তা নেওগ, বিমল বড়া, ৰামেশ্বৰ তেলী, সুশান্ত বৰগোহাঁই, কৃষ্ণেন্দু পালৰ লগতে বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী, ৰূপজ্যোতি কুৰ্মী, ধীৰাজ গোৱালা, ময়ূৰ বৰগোহাঁই, ধৰ্মেশ্বৰ কোঁৱৰ, সুৰুয দিহিঙীয়া আৰু মৃদুল কুমাৰ দত্ত উপস্থিত থাকে। প্ৰশিক্ষণ কাৰ্যসূচীত অতিৰিক্ত মুখ্য সচিব এল এছ চাংছনকে ধৰি কেইবাগৰাকী শীৰ্ষ বিষয়া, যোৰহাট, গোলাঘাট, শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ আয়ুক্ত, সম-জিলা আয়ুক্ত, চক্ৰ বিষয়া আৰু ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ বিষয়াসকলো উপস্থিত থাকে।

# নীটৰ প্ৰশ্নকাকত ফাদিল

লোকসকলক নিয়ন্ত্ৰণ কৰাৰ লগতে তেওঁলোকৰ প্ৰৱেশ আৰু প্ৰস্থানৰ ৰেকৰ্ড ৰাখিবলৈ ব্যৱহাৰ কৰা হৈছিল এই এপটো। যোৱা ৩ মে'ৰ দিনা নীট-ইউজি ২০২৬ অনুষ্ঠিত হোৱাৰ কেইদিনমান পূৰ্বে এপ্ৰিল মাহত ছ'চাইটীখনত ছাত্ৰ-ছাত্ৰীসকল আৰু তেওঁলোকৰ অভিভাৱকসকলৰ উপস্থিতি নিশ্চিত কৰিবলৈ চিবিআয়ে এই ৰেকৰ্ড ব্যৱহাৰ কৰে। সেই সময়ত কুলকাৰ্নি যে পুনেতেই আছিল, তাক কল ডাটা ৰেকৰ্ডছ শচচিডিআৰগ্ধ আৰু তেওঁলোকৰ ফোনৰ অৱস্থিতি বিশ্লেষণৰ দ্বাৰা নিশ্চিত কৰা হয়। চিবিআয়ে দাখিল কৰা অভিযোগনামা অনুসৰি নেচনেল টেষ্টিং এজেঞ্চী (এনটিএ)ৰ তিনিগৰাকী বিষয় বিশেষজ্ঞ ক্ৰমে- পি ভি কুলকাৰ্নিয়ে ৰসায়ন বিজ্ঞান, মনীষা সঞ্জয় হাৱালদাৰে পদাৰ্থ বিজ্ঞান আৰু মনীষা গুৰুনাথ মান্ধাৰে উদ্ভিদ বিজ্ঞান তথা প্ৰাণী বিজ্ঞানৰ নীট পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিলৰ প্ৰাথমিক উৎস আছিল। ৰাজহুৱা পৰীক্ষাত বিভিন্ন অসৎ উপায় অৱলম্বন কৰাৰ লগতে প্ৰশ্নকাকত ফাদিলৰ দৰে ফৌজদাৰী গোচৰসমূহৰ বিচাৰ চলোৱা নিৰ্দিষ্ট ফাষ্টট্ৰেক আদালতত সংস্থাটোৱে অলপতে তেওঁলোকৰ চূড়ান্ত প্ৰতিবেদন দাখিল কৰে। অনুসন্ধানত প্ৰকাশ পাই যে বিষয়-বিশেষজ্ঞ তিনিগৰাকীয়ে অনুবাদৰ সময়ছোৱাত ৰাফ ৱৰ্কৰ বাবে গোপন শাখাৰ ভিতৰতে উকা কাগজ প্ৰদান কৰিছিল। অভিযোগনামাত উল্লেখ কৰা মতে প্ৰশ্নকাকত ফাদিলৰ ঘটনাটোৰ মূল ষড়যন্ত্ৰকাৰী হিচাপে অভিযুক্ত পি ভি কুলকাৰ্নিয়ে সৰু সৰু টুকুৰাত সংক্ষিপ্তকৈ ৰসায়ন বিজ্ঞানৰ প্ৰশ্নকাকতৰ ১৩৫টা প্ৰশ্নকেই লিখি উলিওৱাৰ লগতে উত্তৰৰ বিকল্পসমূহো উল্লেখ কৰে আৰু এটা গোপন প্ৰক্ৰিয়াৰে সেইবোৰ বাহিৰলৈ উলিয়াই দিয়ে। চিবিআয়ে ১৩জন অভিযুক্তৰ বিৰুদ্ধে প্ৰায় ২০ হাজাৰ পৃষ্ঠাৰ এই অভিযোগনামা দাখিল কৰাত ৰৌছ এভিনিউ ক'ৰ্টে শুকুৰবাৰে ইয়াৰ শুনানি গ্ৰহণ কৰে। অভিযোগনামা দাখিলৰ শুনানিৰ পিছত ন্যায়ালয়ে সোমবাৰৰ কগনাইজেন্সৰ বাবে তালিকাভুক্ত কৰে। অভিযোগনামাত অভিযুক্ত কৰা লোকসকল হ'ল- মনীষা মান্ধাৰে, মনীষা ৱাঘমাৰে, মনীষা সঞ্জয় হাৱালদাৰ, যশ যাদৱ, প্ৰহ্লাদ কুলকাৰ্নি, শিৱৰাজ ৰঘুনাথ মটেগাওৱাৰ, ড° মনোজ চিৰুৰে, শুভম খৈৰনাৰ, ধনঞ্জয় লোখান্দে, হৰ্ষদ জয়েশ শ্বাহ, মংগীলাল বিৱাল আৰু দীনেশ বিৱাল।

# ডিব্ৰুগড় জিলা ক্ৰীড়া

চক্ৰৱৰ্তীয়ে কয় যে ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাই শেহতীয়াকৈ ক্ৰীড়া আন্তঃ গাঁথনি উন্নয়নৰ ক্ষেত্ৰত প্ৰশংসনীয় কাম কাজ কৰিছে। তেওঁ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সহায় সহযোগিতাৰ বাবে ধন্যবাদজ্ঞাপন কৰে। খেলুৱৈ সকলক এই সুবিধা গ্ৰহণ কৰি নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰিবলৈ আহ্বান জনায়। জিলা ক্ৰীড়া সন্থাৰ সভাপতি নিৰঞ্জন শইকীয়াই নিজৰ ভাষণত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালক ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানৰ আদৰণি ভাষণ আগবঢ়ায় জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক কামাখ্যা শইকীয়াই। অনুষ্ঠানত জিলা ক্ৰীড়া সন্থাৰ কাৰ্য্যকৰী সভাপতি মানস জ্যোতি দত্ত, কোষাধ্যক্ষ প্ৰণৱ সোনোৱাল, উপ সভাপতি সঞ্জয় জৈন, আন্তঃ ৰাষ্ট্ৰীয় বেডমিণ্টন খেলুৱৈ ঈশা ৰাণী বৰুৱাৰ পিতৃ মুলেশ্বৰ বৰুৱা, জিলা ক্ৰীড়া সন্থাৰ বেডমিণ্টন বিভাগৰ সম্পাদক সুনীল গগৈ আদি বিশিষ্ট ব্যক্তিসকল উপস্থিত আছিল। এই অনুষ্ঠানতে মুলেশ্বৰ বৰুৱা আৰু আন এগৰাকী আন্তঃ ৰাষ্ট্ৰীয় বেডমিণ্টন খেলুৱৈ নিংশি ব্লক হাজৰিকাৰ মাতৃ লতা বৰুৱা হাজৰিকাক সম্বৰ্ধনা জনোৱা হয়।


## ENGLISH NEWS SECTION

# Bharat Bhushan Dev Choudhury sworn in as the State Chief Information Commissioner




Guwahati, RB News: Assam Governor Shri Lakshman Prasad Acharya administered the oath of office to Bharat Bhushan Dev Choudhury as State Chief Information Commissioner at a solemn function held at the conference hall of Lok Bhavan. Chief Secretary to the Govt. of Assam, Dr. Ravi Kota sought the permission of the Governor to start the proceedings of the ceremony. The ceremony was attended among others by State Information Commissioner, AIC Dr. Reep Hazarika, State Information Commissioner Utpal Baruah, Commissioner and Secretary to the Governor SS Meenakshi Sundara, Commissioner and Secretary, ARTPPG Deptt Dr. Patibandla Ashok Babu and a host of senior officers of the government.

## Ashish wins silver at World Athletics U20 Championships



RB News: Ashish Yadav opened India's medal account at the World Athletics U20 Championships with a silver medal in the men's javelin throw, while national senior record holder Pooja Singh booked her place in the women's high jump final. Yadav produced a best throw of 74.09m in his third attempt to finish second in the men's javelin final on Friday. His compatriot T Dharanidharan ended the competition in sixth place with a best effort of 72.35m. Yadav's silver-winning throw was 40cm short of his personal best of 74.49m, which he had recorded at the Indian Open Throws Competition in Patiala in March.

## Ireland miss direct ODI World Cup 2027



RB News: Ireland's hopes of qualifying directly for ODI World Cup 2027 ended after their first ODI against Afghanistan in Bready was abandoned without a toss due to rain. Ireland needed a 5-0 series sweep and West Indies to lose both remaining ODIs against India. They must now enter the 10-team World Cup Qualifier to reach next year's tournament in Africa.

## Assamese actress Malaya Goswami to receive Bhaben Baruah Award



RB News: Veteran Assamese actress Malaya Goswami has been selected for the Bhaben Award 2026 in recognition of her outstanding contribution to Assam's art, cinema and cultural heritage. It is instituted by the Nalbari District Committee of the Asom Jatyatabai Yuva-Chatra Parishad (AJYCP) in memory of eminent theatre personality Bhaben Baruah. The award has been presented annually since 2009 to distinguished personalities for their exceptional contribution to the fields of art and culture. The award carries a cash prize of Rs 15,000, along with a memento, xorai (sacred offering tray from Assam), gamosa (silk textile) and cheleng. Goswami will be honoured on September 3 at Nalbari Natya Mandir during the Bhaben Baruah All Assam Children's Drama Competition.

## Praggnanandhaa wins his maiden Saint Louis Rapid & Blitz title



RB News: Indian Grandmaster R Praggnanandhaa clinched his maiden Saint Louis Rapid & Blitz title, winning the championship with a round to spare. The 20-year-old finished with 23.5 points, staying well ahead of Uzbekistan's Javokhir Sindarov, who ended the event with 22 points. Praggnanandhaa entered the blitz section after narrowly winning the rapid event. He continued his good form, losing only one game in the blitz and collecting 11.5 points out of a possible 18. His consistent performances helped him comfortably secure the title. Sindarov finished second, while American Grandmaster Wesley So claimed third place with 20.5 points.

## England cricketer John Turner retires aged 25



RB News: England and Hampshire fast bowler John Turner has announced his retirement from professional cricket at the age of 25 after struggling with injuries. The Hampshire pacer, who represented England in four international matches in 2024, still had two years left on his county contract. He also held an ECB development contract until late last year. Turner, who was born in Johannesburg, played two ODIs and two T20Is during England's tour of the West Indies in late 2024, taking three wickets. He had also built a strong record across domestic cricket.

## Mini Mathur wins 'Alliance'



RB News: Television host and actress Mini Mathur has been crowned the winner of the inaugural season of Alliance, emerging victorious after weeks of intense competition, strategic gameplay and challenging tasks. Hosted by Kunal Kemmu, the reality series concluded with an exciting grand finale where Mini defeated Aly Goni and Ruhee Dosani to lift the trophy and win the 50 lakh cash prize. Aly Goni finished as the first runner-up, while content creator Ruhee Dosani secured the position of second runner-up after an action-packed finale challenge.

এক আলোকপাত

# অপৰাধ নিয়ন্ত্ৰণত সংবাদ মাধ্যমৰ ভূমিকা



শংকৰ দেৱ, দেৰগাঁও

আজিৰ এই আধুনিক যুগত দেশৰ প্ৰতিটো অঞ্চল বিভিন্ন ধৰণৰ অপৰাধ, দুৰ্নীতি, অবৈধ ব্যৱসায়, শিশু অপহৰণ, চাইবাৰ অপৰাধ, মাদক দ্ৰব্যৰ প্ৰতি আসুক্তি, নাৰী নিৰ্যাতন আদি সমস্যাৰে জৰ্জৰিত হৈ পৰিছে। এনে জটিল পৰিস্থিতিত সমাজত আইন-শৃংখলা বজাই ৰখা আৰু ন্যায় প্ৰতিষ্ঠা কৰাত সংবাদ মাধ্যমৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। অপৰাধ নিয়ন্ত্ৰণত সংবাদ মাধ্যমৰ আটাইতকৈ উল্লেখযোগ্য অৰদান হৈছে জনসচেতনতা সৃষ্টি। সমাজৰ বিভিন্ন দিশ জনসন্মুখলৈ অনাৰ লগতে অপৰাধমূলক কাৰ্যকলাপৰ বিৰুদ্ধে জনমত গঠন আৰু প্ৰশাসনক দায়বদ্ধ কৰি সমাজৰ পৰা অপৰাধ নাইকিয়া কৰাত সক্ৰিয় আৰু গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। সেইবাবেই সংবাদ মাধ্যমক "গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ" বুলি কোৱা হয়।

সংবাদ মাধ্যমে অপৰাধৰ খবৰ দ্ৰুতগতিৰে প্ৰকাশ কৰি আৰক্ষী আৰু প্ৰশাসনক তৎপৰ হ'বলৈ বাধ্য কৰোৱায়। ই অপৰাধ তদন্তৰ ক্ষেত্ৰত স্বচ্ছতা বজাই ৰখাত সহায় কৰে। অপৰাধমূলক কাৰ্যকলাপবোৰ ৰাজহুৱা কৰাৰ ফলত সমাজত অপৰাধীৰ স্থান সংকুচিত হয় আৰু ইয়াৰ ফলত ভৱিষ্যতে নতুন অপৰাধ সংঘটিত হোৱাত বাধা পৰে। কোনো অপৰাধৰ তথ্য ফাদিল কৰি বা সাক্ষীসকলক সুৰক্ষাৰ প্ৰতিশ্ৰুতি দি সংবাদ মাধ্যমে দোষীক শাস্তি প্ৰদানৰ ক্ষেত্ৰত সহায়ক হিচাপে কাম কৰে। অপৰাধমূলক কাৰ্যকলাপ ৰাজহুৱা হোৱাৰ ফলত অপৰাধীৰ সামাজিক সন্মান ক্ষুণ্ণ হয় আৰু বহু ক্ষেত্ৰত অপৰাধ সংঘটিত কৰাৰ আগতে মানুহে ভয় অনুভৱ কৰে। সমাজত অপৰাধবিৰোধী জনমত গঠন কৰাত সংবাদ মাধ্যমৰ এই ভূমিকা অত্যন্ত গুৰুত্বপূৰ্ণ। তাৰ উপৰিও, কোনো অপৰাধৰ সাক্ষী, ভুক্তভোগী বা তথ্যদাতাক উৎসাহিত কৰাত সংবাদ মাধ্যমে সহায় কৰে। সংবাদ মাধ্যমত ঘটনাৰ সঠিক প্ৰতিবেদন প্ৰকাশ পালে বহু সময়ত নতুন সাক্ষী আগবাঢ়ি আহে আৰু তদন্তত সহায় কৰে। বিশেষকৈ নিৰুদ্দেশ ব্যক্তি, শিশু অপহৰণ বা দুষ্কৃতিকাৰীৰ সন্ধানত সংবাদ মাধ্যম বহু ক্ষেত্ৰত ফলপ্ৰসূ প্ৰমাণিত হৈছে।

নিতৌ প্ৰচলিত দৈনিক বাতৰি কাকত, দূৰদৰ্শন, ৰেডিঅ', অনলাইন নিউজ প'ৰ্টেল আৰু সামাজিক মাধ্যমৰ জৰিয়তে সমাজত সংঘটিত বিভিন্ন অপৰাধৰ খবৰ সৰ্বসাধাৰণৰ মাজলৈ তৎক্ষণাত পায় যায়। ইয়াৰ ফলত মানুহে অপৰাধৰ কৌশল, সতৰ্কতা আৰু আত্মৰক্ষাৰ উপায় সম্পৰ্কে সচেতন হ'ব পাৰে।

সংবাদ মাধ্যমে আৰক্ষী আৰু প্ৰশাসনকো অধিক জবাবদিহিমূলক কৰি তোলে। বহু সময়ত কোনো অপৰাধৰ ঘটনা সংবাদ মাধ্যমত প্ৰচাৰ হোৱাৰ পাছত আৰক্ষী অধিক তৎপৰ হৈ উঠে আৰু তদন্ত তীব্ৰতৰ হয়। কেতিয়াবা বহুদিন ধৰি অমীমাংসিত হৈ থকা ঘটনাও সংবাদ মাধ্যমৰ চাপে পুনৰ তদন্তৰ আওতালৈ আনে। ইয়াৰ ফলত সাধাৰণ মানুহৰ ন্যায় বিচাৰৰ ওপৰত আস্থা বৃদ্ধি পায়।

আজিৰ এই আধুনিক যুগত অনুসন্ধানমূলক সাংবাদিকতাইও সমাজত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। অবৈধ বালি-মাটি খনন, বনজ সম্পদ চোৰাং সৰবৰাহ, দুৰ্নীতি আদিৰ বহু তথ্য সংবাদ মাধ্যমৰ অনুসন্ধানমূলক প্ৰতিবেদনৰ জৰিয়তে জনসন্মুখলৈ আহিছে। কাজিৰঙা অঞ্চলত গঁড় চোৰাং চিকাৰী আৰু বনজ সম্পদ সৰবৰাহ সম্পৰ্কীয় কিছু বাতৰি সংবাদ মাধ্যমত প্ৰচাৰ হোৱাৰ পাছত বন বিভাগ আৰু আৰক্ষীয়ে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছিল। অনুসন্ধানমূলক সাংবাদিকতাই অপৰাধ নিয়ন্ত্ৰণত এক শক্তিশালী ভূমিকা গ্ৰহণ কৰিছে। বহু সংবাদ প্ৰতিষ্ঠানে গোপন অনুসন্ধান, তথ্য সংগ্ৰহ আৰু সত্য উদঘাটনৰ জৰিয়তে বিভিন্ন বৃহৎ দুৰ্নীতি, অবৈধ ব্যৱসায় আৰু অপৰাধ চক্ৰৰ তথ্য জনসন্মুখলৈ আনিছে। দেশ-বিদেশত বহু ৰাজনৈতিক আৰু আৰ্থিক কেলেংকাৰী সংবাদ মাধ্যমৰ অনুসন্ধানৰ ফলতেই পোহৰলৈ আহিছিল। এনে কাৰ্যই সমাজত স্বচ্ছতা আৰু আইনৰ শাসন শক্তিশালী কৰে।

অসমতো সংবাদ মাধ্যমৰ এনে ভূমিকা বহু সময়ত স্পষ্টভাৱে দেখা পোৱা গৈছে। বিশেষকৈ গুৱাহাটী মহানগৰীত বৰ্ধিত ড্ৰাগছ ব্যৱসায় আৰু যুৱ সমাজৰ মাজত নিচাযুক্ত দ্ৰব্যৰ আসক্তি আদি বিভিন্ন বাতৰি সংবাদ মাধ্যমত ধাৰাবাহিক প্ৰতিবেদন প্ৰকাশ হোৱাৰ পাছত আৰক্ষী আৰু প্ৰশাসনে বিশেষ অভিযান চলাই বহু ড্ৰাগছ ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছিল। এই ঘটনাই সমাজত সচেতনতা বৃদ্ধিৰ লগতে অভিভাৱক সকলকো অধিক সতৰ্ক কৰি তুলিছিল।


যোৰহাট আৰু ডিব্ৰুগড়ত সংঘটিত কিছু চাঞ্চল্যকৰ হত্যাকাণ্ডৰ ঘটনা সংবাদ মাধ্যমত বিস্তৃতভাৱে প্ৰকাশ পোৱাৰ পাছত তদন্ত তীব্ৰতৰ হৈছিল আৰু দোষীক গ্ৰেপ্তাৰ কৰিবলৈ আৰক্ষী তৎপৰ হৈছিল। ইয়াৰ ফলত সাধাৰণ মানুহৰ ন্যায় বিচাৰৰ ওপৰত আস্থা বৃদ্ধি পায়।

একেদৰে, নগাঁও আৰু ধেমাজি জিলাত সংঘটিত কিছু অনলাইন ঠগবাজিৰ ঘটনা সংবাদ মাধ্যমত ব্যাপকভাৱে প্ৰচাৰ হোৱাৰ ফলত বহু লোক সজাগ হয় আৰু আৰক্ষীয়েও চাইবাৰ অপৰাধ ৰোধত বিশেষ ব্যৱস্থা গ্ৰহণ কৰে। বহু সময়ত সংবাদ মাধ্যমৰ সহযোগত আৰক্ষীয়ে জনসাধাৰণক OTP, বেংক একাউণ্ট বা ATM তথ্য কাকো নিদিবলৈ আহ্বান জনাই সচেতনতামূলক কাৰ্যসূচীও গ্ৰহণ কৰিছে।

অৱশ্যে আজিৰ এই ডিজিটেল যুগত সামাজিক মাধ্যমৰ বিস্তাৰৰ ফলত "ফেক নিউজ" বা ভুৱা বাতৰিৰ সমস্যাও বৃদ্ধি পাই আহিছে। এনে ভুৱা তথ্যই সমাজত বিভ্ৰান্তি আৰু অশান্তিৰ সৃষ্টি কৰিব পাৰে। মিছা বা অতিৰঞ্জিত বাতৰিয়ে সমাজত ভীতি সৃষ্টি কৰিব পাৰে বা তদন্তৰ ক্ষতি কৰিব পাৰে। গতিকে, সত্যনিষ্ঠা আৰু নৈতিকতা অৱলম্বন কৰিলেহে সংবাদ মাধ্যমে অপৰাধমুক্ত সমাজ গঢ়াত সঠিক অৰদান আগবঢ়াব পাৰিব

শেষান্তৰত ক'ব পাৰি যে, সংবাদ মাধ্যম কেৱল তথ্য প্ৰচাৰৰ মাধ্যমেই নহয়, ই হৈছে সমাজৰ এক স্বতন্ত্ৰ সজাগ প্ৰহৰী আৰু ন্যায় প্ৰতিষ্ঠাৰ এক শক্তিশালী অস্ত্ৰ । সত্য, নৈতিকতা আৰু জন স্বাৰ্থক অগ্ৰাধিকাৰ দি কাম কৰিলেহে সংবাদ মাধ্যমে অপৰাধমুক্ত, সুশৃংখল আৰু সচেতন সমাজ গঢ়াৰ ক্ষেত্ৰত অধিক ফলপ্ৰসূ অৱদান আগবঢ়াব পাৰিব।

# বৈভৱ



পাপৰি শইকীয়া বৰা, গোলাঘাট

এদিন তোমাৰ পদূলিত গছ হৈ গজিম
সুগন্ধিৰে উপচাই দিম হিয়া...
তোমাৰ উশাহত মিহলি হৈ এদিন এটা সুগন্ধি সুৰ হ'ম
তুমি মোক গুণগুণাবা... !
এদিন তোমাৰ পদূলিত গছ হৈ গজিম
তুমিতো জানাই -গছ মানেই বিনিময়হীন ভালপোৱা !
গছ মানেই ঋতুৰ ৰঙত বৰ্ণময় হোৱাৰ নিৰৱ প্ৰতিশ্ৰুতি
ধুমুহা/ বৰষুণ অথবা শিলাবৃষ্টি...
একোতেই গছে বিচ্ছিন্ন নকৰে অস্তিত্বৰ শিপা !
সঁচাকৈ কৈছো ; এদিন তোমাৰ পদূলিত গছ হৈ গজিম
চৰ্ত এটাই থাকিব
যদি মই গছ হওঁ ...
তুমি এখন গছ ভালপোৱা অৰণ্য হব লাগিব
অৰণ্য হব লাগিব...।

অণুগল্প

# ন-ভূঁই

ৰশ্মি ৰেখা দুৱৰা, ডিব্ৰুগড়



কাৰ, কেতিয়া ৰুলে গমেই নাপালোঁ। বননিয়ে আৱৰি থকা পথাৰখন ৰুই শেষ হ'ল। নীলিমা খুড়ী ঘৰত ন-ভূঁইৰ হাঁহে দকচি খাম বুলি ভাবি থকা কথাষাৰ মনতে ৰ'ল।
খুড়ীয়ে নামাতিল। খুড়ায়ে ২ কি.মি. আঁতৰ পৰা ১০ জনীকৈ ৰুৱনী আনি দুদিনতে ৰুই শেষ কৰিলে। সকলো ব্যস্ত। ন-ভূঁই ৰুৱলৈ চুবুৰীয়াৰ সময় নাই। হাজিৰা ৰুৱনীয়েই ন-ভূঁই কৰে। আগৰ দিন নাই। হাঁহি-ধেমেলি কৰি জুম বান্ধি ৰুৱলৈ যোৱা দিন। হাল-কোৰ লৈ পথাৰলৈ যোৱা দিন।

ৰঙিলী বাৰ্তা কৰ্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286